# পঞ্চম অধ্যায়

## ৫.০০ প্ৰাচীন আৰু আধুনিক সাহিত্যৰ যোগেদি লোকমানসত কীৰ্তন-ঘোষাৰ প্ৰভাৱ

### ৫.০১ কীৰ্তনৰ প্ৰভাৱযুক্ত প্ৰাচীন অসমীয়া সাহিত্য ঃ এটি চমু আভাস

অসমৰ অনাখৰী আৰু গ্ৰাম্য জীৱন-যাত্ৰাত অভ্যস্ত জনসাধাৰণক সৰল ধৰ্মৰ বাতাবৰণৰ মাধ্যমেৰে সাহিত্যৰ প্ৰতি আকৃষ্ট কৰি একনিষ্ঠ ভক্ত তথা শ্ৰোতা হিচাপে গঢ় দিবলৈ প্ৰাকশঙ্কৰী যুগৰ পৰাই বিশেষ পৰিবেশৰ সংৰচনা কৰা হৈছিল। হেম সৰস্বতী, ৰুদ্ৰকন্দলি, হৰিহৰ বিপ্ৰ, কবিৰত্ন সৰস্বতী আৰু মাধৱ কন্দলীয়ে বৈষ্ণৱ সাহিত্যৰ এটি বিশিষ্ট ধাৰাৰ আৰম্ভণি কৰি লোকসমাজৰ মানসিকতা সাহিত্য সংস্কৃতিৰ প্ৰতি আগ্ৰহী কৰি তুলিছিল। তেওঁলোকে সংস্কৃত শাস্ত্ৰ ৰামায়ণ, মহাভাৰতৰ আখ্যানসমূহ সৰল আৰু কাব্যধৰ্মী ৰূপত অনুবাদ কৰি লোকসমাজক ধৰ্ম-সাহিত্যৰ লগত পৰিচয় কৰাই দিছিল। তদুপৰি গ্ৰাম্য জীৱন-যাত্ৰাৰ সুখ-দুখৰ চিত্ৰ, গ্ৰাম্য কথনশৈলীৰ প্ৰতিধ্বনি এইসমূহে বহন কৰিছিল। ধৰ্মমতক সৰলভাৱে উপযুক্ত স্থানত দাঙি ধৰাৰ বাবে তেওঁলোকে বৰ্ণনীয় বিষয়ৰ লগত খাপ খুৱাকৈ অসমীয়া লোকজীৱনৰ ঘৰুৱা চিত্ৰ, শব্দ, উপমাদিৰ প্ৰয়োগ কৰিছিল। তদুপৰি ৰচনা শৈলীৰ নিপুণতাৰে সৰলভাৱে জনমানসক ধৰ্মীয় মতাদৰ্শৰ প্ৰতি আকৃষ্ট কৰিছিল। জনসাধাৰণক উদ্দেশ্য কৰি ৰচনা কৰাৰ বাবেই এওঁলোকৰ বিভিন্ন ধৰ্মীয় আখ্যানসমূহে মানুহৰ সহজাতপ্ৰবৃত্তি আৰু অনুভূতিক প্ৰতিনিধিত্ব কৰিছিল। অধ্যয়নপুষ্ট শাস্ত্ৰজ্ঞ শঙ্কৰদেৱে পূৰ্বকবিসকলৰ পৰা অসমীয়া ভাষাক ধৰ্ম-সাহিত্য ৰচনাৰ মাধ্যম হিচাপে গ্ৰহণ কৰাৰ অনুপ্ৰেৰণা লাভ কৰিছিল। শঙ্কৰদেৱে স্বয়ং এক বিশাল বৈষ্ণৱ সাহিত্যৰ সৌধ নিৰ্মাণ কৰিছিল। এই সৌধৰ বিশিষ্ট ধৰ্মকাব্য কীৰ্তন-ঘোষা। পুথিখনৰ গীত-পদৰ মাধুৰ্য আৰু পৰিৱেশ্যকলা সুলভ উপস্থাপনে ভক্তিধৰ্মৰ সোঁত লোক সমাজত সুদৃঢ় কৰিবলৈ সক্ষম হ'ল। ৰচনাকালৰে পৰা লোকসমাজত কীৰ্তন-পুথিৰ জনপ্ৰিয়তা প্ৰত্যক্ষ কৰি অহা হৈছে। উক্ত জনপ্ৰিয়তাৰ বাবেই শঙ্কৰদেৱৰ প্ৰায় সম-সাময়িক আন কবিসকলৰ ৰচনাত কীৰ্তন-ঘোষাৰ প্ৰত্যক্ষ বা প্ৰৰোক্ষ প্ৰভাৱ লক্ষ্য কৰা যায়। শঙ্কৰদেৱৰ প্ৰায় সমসাময়িক আৰু তেওঁৰ পাছৰ কালৰ কবিসকলৰ কাব্যকীৰ্তন-ঘোষাৰ ৰচনাশৈলীৰ কিছু প্ৰভাৱ লক্ষণীয় বিষয়। কংশাৰি কবি, ৰত্নাকৰ কন্দলী, ৰত্নাকৰ মিশ্ৰ, শ্ৰীধৰ কন্দলি, অনন্ত কন্দলী, ৰামসৰস্বতী, হৃদয়ানন্দ বা অনন্ত কায়স্থ আদিসকলে প্ৰতিষ্ঠাশীল কবি হিচাপে পৰিচয় দিবলৈ সক্ষম হৈছে। এওঁলোকৰ কাব্যত কীৰ্তন-ঘোষাৰ ৰচনাশৈলীৰ প্ৰভাৱ পৰিছে।

**ৰত্নাকৰ কন্দলী ঃ** ৰত্নাকৰ কন্দলীৰ কাব্যত শঙ্কৰদেৱৰ কীৰ্তন-ঘোষাৰ ৰচনা শৈলীৰ প্ৰভাৱ প্ৰত্যক্ষ কৰা

হৈছে। কীৰ্তন-পুথিৰ অৰ্ন্তগত 'সহস্ৰনাম বৃত্তান্তৰ ৰচয়িতা ৰত্নাকৰ কন্দলী। এই খণ্ডটি গাম্ভীৰ্য আৰু গভীৰ ভক্তি ভাবযুক্ত ৰচনাৰ সৌষ্ঠৱৰ বাবে 'কীৰ্তন-ঘোষা'ৰ অন্তৰ্গত হৈছিল।

**শ্ৰীধৰ কন্দলি ঃ** শঙ্কৰদেৱৰ কীৰ্তন-ঘোষাৰ অৰ্ন্তগত 'ঘুনুচা কীৰ্তন'ৰ ৰচয়িতা শ্ৰীধৰ কন্দলি। 'কীৰ্তন-ঘোষা'ৰ ভক্তিতত্ত্ব আৰু ৰচনা শৈলীৰ কিছু পৰিমাণে প্ৰভাৱ যুক্ত হোৱাৰ বাবেই এই খণ্ড কীৰ্তন-ঘোষাৰ অৰ্ন্তভুক্ত হৈছে।

**ৰত্নাকৰ মিশ্ৰ ঃ** শঙ্কৰদেৱৰ সমসাময়িক এজন অনুবাদক হ'ল ৰত্নাকৰ মিশ্ৰ। এওঁ কীৰ্তনৰ ৰচনা-পদ্ধতিৰ আৰ্হিত 'গীতা-কীৰ্তন' ৰচনা কৰে।

**অনন্ত কন্দলী ঃ** বৰদোৱাত শঙ্কৰদেৱৰ ওচৰত অনন্ত কন্দলীয়ে শৰণ লোৱাৰ কথা উল্লেখ কৰা আছে। অনন্ত কন্দলীয়ে শঙ্কৰদেৱৰ 'উচ্চিষ্ট ভোজন'ৰ আকাংক্ষা কৰাত শঙ্কৰদেৱে তেওঁক নিজৰ লেখাৰ অৱশিষ্ট লিখিবলৈ দিয়ে। গতিকে তেওঁৰ ৰচনাশৈলীত শঙ্কৰদেৱৰ ৰচনাৰ প্ৰভাৱ কিছু পৰিমাণে পৰিছে। কীৰ্তন-ঘোষাৰ ৰচনা শৈলীৰ প্ৰভাৱো পৰিছে।

**ৰামসৰস্বতী ঃ** মহাৰাজ নৰনাৰায়ণৰ ৰাজসভাত ৰামসৰস্বতীৰ শঙ্কৰদেৱৰ সৈতে পৰিচয় হৈছিল। ৰামসৰস্বতীয়ে মূল সংস্কৃত মহাভাৰতৰ বিভিন্ন পৰ্বসমূহ অসমীয়ালৈ অনুবাদ কৰিছিল। এই অসমীয়া ৰূপান্তৰ অসমীয়া লোকজীৱনৰ স্থান-কাল-পাত্ৰৰ উপযোগী। এই কথাৰ দ্বাৰাই ৰাম সৰস্বতীৰ ৰচনা শৈলীত শঙ্কৰদেৱে কীৰ্তন-ঘোষা ৰচনা শৈলীত গ্ৰহণ কৰা সহজ-সৰল থলুৱা অসমীয়া পটভূমিৰ প্ৰভাৱ পৰিছে বুলি প্ৰমাণ হয়।

**হৃদয়ানন্দ বা অনন্ত কায়স্থ ঃ** শঙ্কৰদেৱৰ সমসাময়িক সময়ত এচাম কবিয়ে ৰামায়ণী সাহিত্য ৰচনা কৰিছিল। সেই সময়তে অনন্ত কায়স্থই ৰচনা কৰা 'শ্ৰীৰাম-কীৰ্তন' উল্লেখযোগ্য ৰামায়ণী সাহিত্য। এই ৰচনাত শঙ্কৰদেৱৰ কীৰ্তনৰ প্ৰভাৱ যথেষ্ট পৰিমাণে পৰিছে। পুথিৰ এঠাইত এইদৰে আছে -

জয় জয় শ্ৰীমন্ত শঙ্কৰ পূৰ্ণ কাম।
কীৰ্তনৰ ছন্দে বিৰচিলা গুণ নাম।।
কীৰ্তনৰ ছন্দে বিৰচিলো পদ সাৰ।
শ্ৰীৰাম কীৰ্তন নাম জানিবা ইহাৰ।।[১]

এইসকল কবিৰ ৰচনাত অৰ্থাৎ শঙ্কৰদেৱৰ সমসাময়িক তথা শঙ্কৰোত্তৰ কালৰ প্ৰাচীন অসমীয়া সাহিত্যত 'কীৰ্তন-ঘোষা'ৰ ৰচনাশৈলীৰ প্ৰভাৱ কিছু পৰিমাণে পৰা দেখা গৈছে।

---

১. সত্যেন্দ্ৰ নাথ শৰ্মা, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃ. ১৭৫

৫.০২ **কীৰ্তনৰ প্ৰভাৱযুক্ত আধুনিক অসমীয়া সাহিত্য ঃ এটি চমু আভাস**

পূৰ্বৱৰ্তী অধ্যায়সমূহত আলোচিত প্ৰসঙ্গই এটা কথা নিশ্চিত কৰে যে শঙ্কৰদেৱৰ দ্বাৰা প্ৰচাৰিত নৱ-বৈষ্ণৱ ধৰ্মৰ মাধ্যমেৰে প্ৰকৃততেই এক শক্তিশালী অসমীয়া সাহিত্যৰ ধাৰাৰ প্ৰৱৰ্তন কৰা হ'ল। পৌৰাণিক সাহিত্যক পুৰণি অসমীয়া ভাষাত পৰিমাৰ্জিত ৰূপত শঙ্কৰদেৱে তুলি ধৰিলে স্বৰচিত নৱবৈষ্ণৱ ভক্তিৰস প্ৰকাশক সাহিত্যলানিৰ জৰিয়তে। এই ধাৰা অব্যাহত থাকিল আৰু শঙ্কৰদেৱৰ অনুগামী সকলেও ইয়াত সহযোগ কৰিলে। অসমৰ লোকজীৱনত কীৰ্তন পুথিৰ প্ৰভাৱ আজি পৰ্য্যন্ত চলি থকা মূলতে পিছৰ কালৰ আধুনিক লিখিত সাহিত্যৰো অৱদান বিচাৰি পাব পাৰি। তেনে সাহিত্যৰ চমু পৰ্যালোচনাই বিষয়টো স্পষ্ট কৰিব পাৰিব। আধুনিক অসমীয়া লিখিত সাহিত্যৰ প্ৰগতিশীল ধাৰাটি ভেঁটিস্বৰূপ ১৮৮৯ চনৰ পৰা ওলোৱা জোনাকী আলোচনীৰ জৰিয়তে কবিতা, চুটিগল্প, প্ৰবন্ধ, সমালোচনামূলক সাহিত্য, ৰসযুক্ত ৰচনা, নাটক, উপন্যাসকে আদি কৰি বিবিধ কথাশিল্পৰ ৰচনাৰ আৰম্ভণি হ'ল। অসমীয়া আধুনিক সাহিত্য প্ৰতিষ্ঠাৰ ভিত্তিপুৰুষ হিচাপে শঙ্কৰদেৱক প্ৰতিষ্ঠা কৰাৰ প্ৰথম পদক্ষেপো এই আলোচনীৰ লগত গভীৰ ভাৱে জড়িত অগ্ৰণী সাহিত্যিক সাহিত্যিক সকলে গ্ৰহণ কৰিলে। জোনাকী আলোচনীৰ মাধ্যমেৰে অসমীয়া শিক্ষিত যুৱকক সাহিত্য চৰ্চাৰ পথ মুকলি কৰি দিয়াৰ লগে লগে এইচাম ডেকাৰ আগ্ৰহত অসমত অন্যান্য কাকত-আলোচনীৰ প্ৰকাশো আৰম্ভ হ'ল। বাঁহী, প্ৰদীপিকা, মৌ, ঊষা ইত্যাদিৰ মাধ্যমেৰে আলোচনীকেন্দ্ৰিক সাহিত্য চৰ্চাৰ শক্তিশালী পথ মুকলি হ'ল। জোনাকীৰ ত্ৰিমূৰ্ত্তিৰ অন্যতম লক্ষ্মীনাথ বেজবৰুৱাই সাহিত্য সমালোচনাৰ এটি ধাৰাও আলোচনীৰ পাতত আৰম্ভ কৰিলে। বেজবৰুৱাই এই ধাৰাটো শক্তিশালী ৰূপত আৰম্ভ কৰে ১৯০৯ চনৰ পৰা প্ৰকাশ পোৱা বাঁহী আলোচনীৰ এলানি সমালোচনাত্মক সাহিত্যৰ মাধ্যমেৰে। বাঁহী আৰু প্ৰদীপিকা আলোচনী দুখনৰ মাধ্যমেৰে বেজবৰুৱাই শঙ্কৰদেৱ সম্পৰ্কীয় এলানি ধৰ্ম সম্পৰ্কীয় বাদানুবাদ চলাই নিয়ে। উক্ত প্ৰসঙ্গটোৱে পোনপ্ৰথমবাৰৰ বাবে আধুনিক অসমীয়া সমাজত ক্ৰমশঃ লোপ পাবলৈ উপক্ৰম কৰা শঙ্কৰী চৰ্চাৰ বিজ্ঞানসন্মত দিশটো বলিষ্ঠ ৰূপত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। শঙ্কৰদেৱক সমাজৰ নামঘৰ, থাপনাৰ পৰা উলিয়াই আনি বিদ্যায়তনিক দৃষ্টিভঙ্গীৰে অধ্যয়ন কৰাৰ মানসিকতা বেজবৰুৱাই অসমীয়া মানুহৰ প্ৰদান কৰিলে। ইয়াৰ পাছতে আধুনিক অসমীয়া লিখিত সাহিত্যৰ মাজত কীৰ্তন-ঘোষাৰ প্ৰভাৱ বিভিন্ন প্ৰকাৰে লক্ষ্য কৰা হৈছে।

বেজবৰুৱাৰ সাহিত্য-চৰ্চাত শঙ্কৰদেৱৰ চিন্তনে প্ৰধান স্থান লাভ কৰিলে। বেজবৰুৱাই অসমীয়া

চেতনাত শঙ্কৰী দৰ্শন বলিষ্ঠভাৱে সুমুৱাই দিয়াৰ লগে লগে অন্যান্য সাহিত্য-সংগীত প্ৰেমীসকলো শঙ্কৰী দৰ্শনৰে পৰিপুষ্ট হৈ জাতীয় নায়কৰূপে শঙ্কৰদেৱক আধুনিক মানসত প্ৰতিষ্ঠা কৰিবলৈ এহাশুধীয়াকৈ লাগিল। তেওঁলোকৰ ভিতৰত বিপ্লৱী বিষ্ণুপ্ৰসাদ ৰাভা আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা অন্যতম আছিল। তেওঁলোকে শঙ্কৰী সংগীত, নৃত্যৰ শৈল্পিক চেতনা অসমীয়াৰ মাজত গীত-নীট অভিনয়ৰ আধুনিক ৰূপৰ মাজত সংমিশ্ৰিত কৰি অভিনৱ আলোড়নৰ সৃষ্টি কৰিবলৈ সক্ষম হ'ল। এই সৰ্বপ্ৰকাৰৰ ৰচনাৰ মাজত কীৰ্তন-ঘোষাৰ প্ৰভাৱ বিশেষভাৱে উল্লেখনীয়।

৫.০২.১ **লক্ষ্মীনাথ বেজবৰুৱাৰ দৃষ্টিত কীৰ্তন-ঘোষা ঃ**

বেজবৰুৱাই তেওঁৰ বিশাল সাহিত্য সম্ভাৰত কীৰ্তন-ঘোষাৰ ঘোষা-পদ মিশ্ৰিত কৰিছিল। সেইবাবে তেওঁ লিখা কবিতা, নাটক, উপন্যাসৰ সংলাপ তথা বাক্যশৈলীত সততে কীৰ্তন-ঘোষাৰ প্ৰভাৱ লক্ষ্য কৰা যায়। বেজবৰুৱাৰ পাৰিবাৰিক জীৱনত বৈষ্ণৱ ধৰ্মীয় পৰিৱেশ বিৰাজমান আছিল। গতিকে তেওঁ কীৰ্তন-ঘোষাৰ দ্বাৰা যথেষ্ট পৰিমাণে প্ৰভাৱিত হৈছে।

প্ৰথমেই লক্ষ্মীনাথ বেজবৰুৱাৰ আত্মজীৱনীমূলক মোৰ জীৱন সোঁৱৰণ গ্ৰন্থখনিত লেখকে ক'ত কেনেকৈ শঙ্কৰদেৱ আৰু মহাপুৰুষীয়া ধৰ্মৰ দ্বাৰা আকৃষ্ট হৈছিল, পৰিয়ালৰ ধৰ্মীয় প্ৰভাৱ ইত্যাদিৰ বিৱৰণ দিছে। বেজবৰুৱাৰ পিতৃদেৱতা মহাপুৰুষীয়া ধৰ্মত বিশ্বাসী আৰু তেওঁ কৈছিল,

> মহাপুৰুষ গুৰুজনেই নিজৰ নাৱৰ পৰা সৰ্ব্বহ পানীত দলিয়াই পেলাই দি ভক্ত বস্তুক তুলি লৈছিল; এতেকে ভক্ত-বস্তুতকৈ শ্ৰেষ্ঠ বস্তু নাই। [২]

এনে পৰিয়ালৰ সন্তান বেজবৰুৱাৰ জীৱনত সাহিত্যত বৈষ্ণৱ প্ৰভাৱ নিশ্চিতভাৱে পৰিছে। বেজবৰুৱাৰ পৰিয়ালত শঙ্কৰী সংগীত-সাহিত্য সংস্কৃতিৰ চৰ্চা হৈছিল। লেখকে কিদৰে এনে চৰ্চাত নিমগ্ন হৈছিল তেওঁৰ ৰচনাত প্ৰকাশ কৰিছে। বেজবৰুৱাৰ গৃহত নিজাববীয়াকৈ কীৰ্তন-ঘৰ বা নামঘৰৰ ব্যৱস্থা আছিল। অসমৰ নামঘৰ বেৰসমূহত গোবৰ মাটিৰে বা বোকামাটিৰে লিপাৰ নিয়ম নাছিল। কিন্তু বেজবৰুৱাই তেওঁলোকৰ কীৰ্তন-ঘৰৰ বেৰত কুমাৰ মাটিৰে মনে মনে লেপি হেঙুল-হাইতালেৰে কৃষ্ণলীলাৰ ছবি কিছুমান আঁকিছিল। তদুপৰি শিৱসাগৰৰ গণকপট্টিত নাম কীৰ্তনৰ বেছি পয়োভৰ থকাৰ বাবে বেজবৰুৱাৰ গৃহত ৰাজহুৱা নামঘৰত নাম-কীৰ্তনৰ দল আহি সুললিত কণ্ঠৰে হৰিনামৰ কীৰ্তন কৰিছিল। আউনিআটি আৰু দক্ষিণপাট সত্ৰৰ উক্ত নাম-কীৰ্তনৰ দলসমূহে প্ৰধানকৈ কীৰ্তন-ঘোষা আৰু নামঘোষাৰ পৰা হৰিকীৰ্তন কৰিছিল।উল্লেখ্য যে বেজবৰুৱাৰ গৃহত ধৰ্মচৰ্চা অতি গভীৰভাৱে কৰা হৈছিল। কীৰ্তন-

২. অতুলচন্দ্ৰ হাজৰিকা (সম্পা.), *বেজবৰুৱা গ্ৰন্থাৱলী*, পৃ. ১০

ঘোষাৰ নাম-প্ৰসঙ্গ বিশেষভাৱে কৰা হৈছিল।

> গোঁসাইঘৰতে বহি পুৱাৰ প্ৰসঙ্গৰ গীত-ভটিমা গাই, তাল লৈ প্ৰসঙ্গ আৰম্ভ কৰোঁ। কুলুপীয়া আৰু ধৰি লোৱা ঘোষা গোৱা শেষ হ'লে, এজনে কীৰ্তন পুথি মেলি বহি কীৰ্তন দিয়ে। শ্ৰীনাথ ককাইদেৱে তাল লৈ নাম-লগোৱা হ'লে, কীৰ্তন-ঘোষা দিবলৈ মই বহোঁ আৰু vice versa অৰ্থাৎ মই নামলগোৱা হ'লে তেওঁ কীৰ্তন দিবলৈ বহে। একো একোদিনা আন ককাইদেওসকলেও এই বাব লয়। দুটা কীৰ্তন-ঘোষাৰ অন্তত প্ৰসঙ্গৰ সামৰণি মৰা হয়। (প্ৰথম অধ্যায়)[৩]

বেজবৰুৱাৰ জীৱনত শঙ্কৰদেৱৰ প্ৰভাৱ বিশেষভাৱে পৰাৰ ক্ষেত্ৰত তেওঁৰ পৰিয়ালে বিশিষ্ট ভূমিকা পালন কৰিলে। কীৰ্তন-ঘোষা পাঠৰ পৰম্পৰা আৰু শঙ্কৰী কৃষ্টিৰ চৰ্চা বিষয়কেইটিয়ে বেজবৰুৱাৰ পৰৱৰ্তী সাহিত্যচৰ্চাত অগ্ৰণী ভূমিকা পালন কৰিবলৈ সক্ষম হ'ল।

লক্ষ্মীনাথ বেজবৰুৱাই পিতৃ দীননাথ বেজবৰুৱাৰ জীৱন চৰিত 'ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ জীৱন-চৰিত' ৰচনা কৰিছিল। এই গ্ৰন্থতো বেজবৰুৱাই পিতৃৰ দৈনন্দিন জীৱনৰ চৰ্চা আৰু নাম-প্ৰসঙ্গৰ নিত্য-নৈমিত্তিক কাৰ্যক্ৰমৰ বিৱৰণ দিছে। তেওঁ অৰ্থাৎ দীননাথ বেজবৰুৱাই সুদীৰ্ঘ ৩৭ বছৰ কাল গৱৰ্ণমেণ্টৰ চাকৰি কৰি পেন্সনভোগী হৈও ধৰ্মচৰ্চা নিয়াৰিকৈ কৰিছিল। ধৰ্মালোচনা, শাস্ত্ৰালোচনা, নাম-প্ৰসঙ্গ আদিৰ নিয়মিত চৰ্চাৰে তেওঁ শঙ্কৰী কৃষ্টিক নতুনকৈ জীয়াই তুলিবলৈ প্ৰয়াস কৰিছিল। ফলস্বৰূপে লক্ষ্মীনাথ বেজবৰুৱা এক শঙ্কৰী কৃষ্টিৰ বিশেষ পটভূমিত ডাঙৰ-দীঘল হ'বলৈ সক্ষম হৈছিল। তেওঁৰ জীৱনকালৰ কাহিনী বিশদভাৱে বেজবৰুৱাই তুলি ধৰিছে। ইয়াত শঙ্কৰী ধৰ্মৰ নাম-প্ৰসঙ্গৰ জৰিয়তে প্ৰতিনিয়ত হোৱা কীৰ্তন-পুথিৰ চৰ্চাৰ বৰ্ণনা পোৱা যায়। গতিকে এই গ্ৰন্থত এটি পৰিয়ালক কীৰ্তন-পুথিয়ে কিদৰে পৰিচালিত কৰি আহিল, তাৰেই সূক্ষ্ম পৰিচয় লক্ষ্য কৰা যায়। বেজবৰুৱাই শঙ্কৰদেৱৰ জীৱনীভিত্তিক পুথি হিচাপে শ্ৰীশ্ৰী শংকৰদেৱ পুথিখন ৰচনা কৰে। শঙ্কৰদেৱৰ জীৱনৰ বৃত্তান্তৰ লগে লগে তেওঁৰ দ্বাৰা ৰচিত কীৰ্তন-পুথিৰ ৰচনা প্ৰণালীৰ লালিত্যৰ ষিয়ে উল্লেখ কৰিছে। তেওঁ লিখিছে,

> কীৰ্তনৰ ৰচনা প্ৰণালী কেনে সুন্দৰ, এবাৰ তাৰ বিষয়বোৰলৈ চকু দিলেই সেইটো হৃদয়ঙ্গম কৰিব পাৰি। ভাষাৰ লালিত্য, ছন্দৰ ঝঙ্কাৰ, সুৰৰ লাৱণ্য, ভাৱৰ মাধুৰ্য্য, ভক্তিৰ দৃঢ়তা, চিন্তাৰ উচ্চতা আদিৰ সমষ্টিৰে শঙ্কৰদেৱৰ কীৰ্তন ৰচিত।[৪]

গ্ৰন্থখনিত শঙ্কৰদেৱৰ কীৰ্তন-ঘোষাৰ ভাষিক-অংগসৌষ্ঠৱৰ বিশ্লেষণ সাৱলীলভাৱে কৰা হৈছে।

৩. উল্লিখিত, পৃ. ৪০
৪. উল্লিখিত, পৃ. ১৫৮

শঙ্কৰদেৱৰ অন্যান্য সাহিত্যিক কৃতিৰ সম্পৰ্কেও আলোচনা কৰা হৈছে। গ্ৰন্থখনিত কীৰ্তন-ঘোষাৰ প্ৰভাৱতকৈ পুথিখনিৰ পৰিচয়সূচক বৃত্তান্ত পোৱা যায়। কীৰ্তনৰ অধ্যায়ৰ কিছু কিছু অংশৰ উদ্ধৃতি দি বেজবৰুৱাই শঙ্কৰদেৱৰ ভাষাৰ প্ৰাঞ্জলৰীতিৰ বিশদ ব্যাখ্যা আগবঢ়াইছে।

বেজবৰুৱাৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱেদেৱ গ্ৰন্থখনিত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ জীৱনৰ বিবিধ দিশত আলোকপাত কৰাৰ লগতে কীৰ্তন ঘোষাৰ ৰচনা প্ৰসঙ্গ বিশেষভাৱে আলোচনা কৰিছে। গ্ৰন্থখনিত শঙ্কৰদেৱৰ জন্ম, বংশ পৰিচয়ৰ পৰা আৰম্ভ কৰি ধৰ্ম-প্ৰচাৰ, সাহিত্য-সংস্কৃতিৰ সাধনাৰ স্তৰসমূহ আৰু মহাপ্ৰয়াণৰ সামগ্ৰিক দিশসমূহ আলোচনা কৰা হৈছে। গ্ৰন্থখনিত কীৰ্তন-ঘোষাখনি ৰচনা ক'ত কেতিয়া কি ধৰ্মীয় প্ৰয়োজনত কৰিছিল, সেই বিষয়ৰহে বৰ্ণনা পোৱা যায়। কীৰ্তন-ঘোষাৰ প্ৰভাৱ সুলভ আলোচনা ইয়াত পোৱা নাযায়। গ্ৰন্থখনিত কীৰ্তন-ঘোষাক কিদৰে একশৰণ হৰিনাম ধৰ্মৰ দৰ্শন প্ৰতিষ্ঠাৰ মূল গ্ৰন্থৰূপে প্ৰতিষ্ঠা কৰা হ'ল, তাকেই বেজবৰুৱাই উল্লেখ কৰিছে।

বেজবৰুৱাৰ তত্ত্বকথা গ্ৰন্থখনত শঙ্কৰদেৱৰ দ্বাৰা প্ৰচাৰিত মহাপুৰুষীয়া ধৰ্মৰ মূল তত্ত্ব সম্পৰ্কে ব্যাখ্যা কৰা হৈছে। গ্ৰন্থখনিত শ্ৰীকৃষ্ণতত্ত্ব, ৰাসলীলা তত্ত্ব, গীতাতত্ত্ব ইত্যাদি (কীৰ্তনৰ উদ্ধৃতিসহ) সম্পৰ্কে ধৰ্মীয় ব্যাখ্যা আগবঢ়োৱা হৈছে। গ্ৰন্থখনিত এটি সুকীয়া অধ্যায়ৰূপে *কীৰ্তন আৰু ঘোষাতত্ত্ব* শীৰ্ষক আলোচনাত কীৰ্তন-ঘোষাৰ মহত্ব সম্পৰ্কে ব্যাখ্যা আগবঢ়োৱা হৈছে। বেজবৰুৱাই পৃথিৱীৰ সুন্দৰ ধৰ্মগ্ৰন্থসমূহৰ মাজত কীৰ্তন-ঘোষাক 'শিৰৰ মুকুট' আখ্যা দিছে। কীৰ্তন পুথি সম্পৰ্কে তেওঁৰ মতামত এনেধৰণৰ—

> কীৰ্তনৰ দুৱাৰমুখতে এই ভিতৰত সোমালে অষ্টনিধিৰ ভাণ্ডাৰ।
>
> ... ... ...
>
> শঙ্কৰদেৱে আন একোকে নকৰি যদি এক মাথোন এই কীৰ্তন পুথিখনকে লেখি থৈ গ'লহেতেন, তেন্তেও তেওঁ যুগ যুগান্তৰলৈ অমৰ হৈ ৰ'লহেতেন।[৫]

কীৰ্তন-ঘোষাৰ মূল বাণী হ'ল কেৱল মাত্ৰ এগৰাকী পৰমব্ৰহ্ম ভগৱানৰ গুণানুকীৰ্তন কৰি মানৱ জীৱনে মোক্ষতো অধিক আনন্দ প্ৰাপ্তি কৰিব পাৰে। বেজবৰুৱাই কীৰ্তনৰ পদৰ উদ্ধৃতিসহ এই কথাষাৰৰেই সত্যতা প্ৰতিপন্ন কৰিছে। (তন্ত্ৰ মন্ত্ৰ আনো দ্ৰব্য অনেক।/ দেশ কাল পাত্ৰ ছিদ্ৰ যতেক।।/পূৰ্ণ নোহি যজ্ঞৰ অঙ্গ।/হৰি নামে কৰে সৱে সুসাঙ্গ।।)(কীৰ্তন)

বেজবৰুৱাই কীৰ্তন-ঘোষাৰ প্ৰ াদ চৰিত্ৰ খণ্ডটিৰ পৰা বৈকুণ্ঠ-নগৰীৰ অনুপম বৰ্ণনা সৌষ্ঠৱৰ

৫. উল্লিখিত, পৃ. ৪১৫

কথা উল্লেখ কৰিছে। তেওঁ শঙ্কৰদেৱৰ কীৰ্তন-ঘোষাৰ কাব্যিক সৌন্দৰ্য তথা ভক্তিতত্ত্বৰ দৰ্শনৰ দ্বাৰা কিমান বেছি প্ৰভাৱিত সেই কথা উক্ত গ্ৰন্থখনিয়ে প্ৰতিপাদিত কৰে।

সেইদৰে 'শ্ৰীকৃষ্ণ কথা' গ্ৰন্থত লক্ষ্মীনাথ বেজবৰুৱাই পৰমপুৰুষ শ্ৰীকৃষ্ণক বিভিন্ন ৰূপত কেনেদৰে উপলব্ধি কৰিব পাৰি, কীৰ্তনৰ আলমত পৰ্যালোচনা কৰিছে। নিৰ্গুণ কৃষ্ণ, সগুণ কৃষ্ণ, মহেশ্বৰ কৃষ্ণ, দধি মথনৰ কৃষ্ণ, গোৱৰ্ধনধাৰী কৃষ্ণ, বস্ত্ৰহৰণৰ কৃষ্ণ, ৰাসলীলাৰ কৃষ্ণ, গীতাৰ কৃষ্ণ, পৰিহাসত কৃষ্ণ, ঈশ্বৰ কৃষ্ণ, পুৰুষোত্তম কৃষ্ণ, আনন্দময় কৃষ্ণ, শ্ৰীকৃষ্ণ কথা— আদি ভাগসমূহত কৃষ্ণ চৰিত্ৰৰ পৰ্যালোচনা কৰিছে। খণ্ডসমূহত কীৰ্তন-ঘোষাৰ উদ্ধৃতি আনি কৃষ্ণ চৰিত্ৰৰ বিশেষত্ব নিৰ্ণয়ৰ প্ৰয়াস কৰা হৈছে। উদাহৰণস্বৰূপে, মহেশ্বৰ কৃষ্ণ খণ্ডত কৃষ্ণই যশোদাক বিশ্বৰূপ দৰ্শন কৰোৱাৰ চিত্ৰ কীৰ্তন-ঘোষাৰ শিশুলীলা খণ্ডৰ পদৰ পৰা আনি দেখুৱা হৈছে।(ছলে হামি তুলি তুমি দেখাইলা মাৰক।/গৰ্ভৰ ভিতৰে আছে সমস্তে জগত।।/কম্পিল শৰীৰ যশোদাৰ হেন দেখি।/পৰম বিস্ময় হুৱা মুদিলন্ত আখি।।(কীৰ্তন)

কীৰ্তন তত্ত্বত নিহিত থকা সপ্ৰেম কৃষ্ণ ভক্তিৰ ফলাফলৰ কথা বেজবৰুৱাই যুক্তিসহকাৰে উপস্থাপন কৰিছে। কৃষ্ণৰ প্ৰতি শ্ৰৱণ-কীৰ্তন ভক্তিয়ে বৈষ্ণৱ উপাসকসকলক পৰম প্ৰাপ্তি প্ৰদান কৰে। এই বিষয়ত সুদীৰ্ঘ ধৰ্মতত্ত্বমূলক ব্যাখ্যা বেজবৰুৱাৰ শ্ৰীকৃষ্ণকথা গ্ৰন্থখনিত পোৱা যায়।

### ৫.০২.২ লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যত কীৰ্তন-ঘোষাৰ প্ৰসঙ্গ ঃ

**(ক) বেজবৰুৱাৰ পদুম কুঁৱৰী উপন্যাসত কীৰ্তন-ঘোষাৰ প্ৰভাৱ ঃ** বেজবৰুৱাই মোৱামৰীয়া বিদ্ৰোহৰ পটভূমিত ৰচনা কৰা ঐতিহাসিক প্ৰেম কাহিনী পদুম কুঁৱৰী উপন্যাসৰ গীতমাতৰ প্ৰয়োগত কীৰ্তন-ঘোষাৰ পদ ব্যৱহাৰ কৰিছে। পদুম কুঁৱৰীয়ে পিতৃ হৰদত্তই পচন্দ কৰি দিয়া দৰা অস্বীকাৰ কৰি নিজৰ পচন্দৰ সূৰ্যকুমাৰক বিয়া কৰাব বিচাৰিলে। তেতিয়া পিতৃ পদুম কুঁৱৰীৰ প্ৰতি খঙত উতপ্ত হৈ পৰিছে, তেওঁৰ বাক্যত দিনে ৰাতিয়ে ঘোষা পুথি পঢ়া, নাম গোৱা আৰু বাপেক মাকক ভক্তি কৰা পদুমৰ চৰিত্ৰৰ এই স্থলনত ব্যথিত হৈ পৰা অনুভৱ হৈছে। লগে লগে পদুমৰ চৰিত্ৰত কীৰ্তন-ঘোষা প্ৰভাৱিত শ্ৰৱণ কীৰ্তন তথা নাম কীৰ্তনৰ প্ৰভাৱ লক্ষণীয় হৈ পৰিছে। পদুম কুঁৱৰীয়ে ঘোষা পুথি গাই মনৰ প্ৰশান্তি লাভৰ আকাংক্ষা কৰিছিল বুলি পাছৰ অধ্যায়বিলাকত পোৱা যায়। পৰ্বতৰ দাঁতিৰ জুৰিত

স্নান কৰিবলৈ যাওঁতে সৰ্প দংশনত পদুমৰ মাতৃৰ আকস্মিক বিয়োগ ঘটিছে। এই মৰ্মান্তিক ঘটনাত পদুমৰ শোকগ্ৰস্ত সংলাপত কীৰ্তনৰ 'গোপী-উদ্ধৱ সংবাদ'ৰ পদ ব্যৱহৃত হৈছে।[ক]

**(খ) বেজবৰুৱাৰ গল্পত শঙ্কৰদেৱৰ কীৰ্তন-ঘোষাৰ প্ৰভাৱ ঃ**

**সাধুকথাৰ কুঁকি ঃ**

**(১) পুত্ৰৱান পিতা ঃ** বেজবৰুৱাৰ পুত্ৰৱান পিতা গল্পটোত কীৰ্তন-ঘোষাৰ প্ৰভাৱ পৰিলক্ষিত হয়। গল্পটিত বক্তাই আচান্সোল-ইষ্ট ইণ্ডিয়া ৰেল কোম্পানীয়ে নিৰ্মাণ কৰা এখন চহৰত কিছুদিন বাস কৰিছিল। তেতিয়া এদিন ৰাতিপুৱা তেওঁৰ ভাৱজগতত ক্ৰিয়া কৰা বিক্ষিপ্ত চিন্তা-চৰ্চাৰ মাজত কীৰ্তন-ঘোষাৰ প্ৰ াদ চৰিত্ৰৰ পদৰ উদ্ধৃতি লক্ষণীয় বিষয়। বক্তাৰ ঘৰৰ দ্বাৰৰখীয়া 'মহাবীৰ প্ৰসাদ তেৱাৰী'ৰ ব্যৱহাৰৰ লগত বেজবৰুৱাই প্ৰ াদ চৰিত্ৰ খণ্ডৰ 'জয়-বিজয়' দ্বাৰৰক্ষী দুজনৰ তুলনা কৰিছে। আৰু কীৰ্তনৰ পদৰ উদ্ধৃতিও দিছে খণ্ডটিৰ পঞ্চম কীৰ্তনৰ পৰা- সেৱকক যদি কৰে অপকাৰ,/ ছোৱে অপযশে স্বামীক তাৰ।)

**(২) মালতী ঃ** আহোম ৰজা চুচেংফাই জয়ৰাম ডেকা বৰুৱাৰ দিপলিপ কন্যা মালতীক অৰ্দ্ধাংগিনী কৰিব বিচাৰিছে; যদি কন্যা নেপায়, তেনে মালতীৰ বংশ পৰিয়াল সকলোকে মাৰি-কাটি উচন কৰিব বুলি ভাবুকি দিছে। পিতৃ-মাতৃৰ এই কথোপকথন শুনি ভয়াৰ্ত মালতীয়ে কীৰ্তন-ঘোষাক গজেন্দ্ৰোপাখ্যানৰ পদ আৰধনা কৰিছে।

> কথা কাণত পৰিয়েই মালতীৰ মূৰ ঘূৰি গ'ল চকুৰে ধুৱলি-কুঁৱলী দেখিলে, হাতৰ হেতা সৰি পৰিল। অলপ বেলি এই অৱস্থাত থাকিয়েই হঠাৎ কি এটা ভাবি ভয়ানক স্থিৰ হৈ সোণৰ পদুম যেন হাত যুৰি মূৰৰ ওপৰলৈ তুলি "হে প্ৰভু মোক এই সঙ্কট সময়ত ৰাখাহ্ল" ইয়াকে বুলি অতি সকৰুণ স্বৰেৰে পৰমেশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰিলে—
>
> শুণ্ডে মেৰাই পদ্মগোট ওপৰক তুলি।
> গজেন্দ্ৰে শৰণ লৈলে ত্ৰাহি হৰি বুলি।। [৬]

**(৩) আমাৰ সংসাৰ ঃ**

বি-এ মহলাৰ থাৰ্ড ইয়েৰত পঢ়ি থকা ডম্বৰুধৰক মাকে কলেজ বন্ধৰ সময়চোৱাত বাৰবছৰ

---

*প্ৰসঙ্গটোকা (ক)* *ক্ৰুৰ অক্ৰু ভৈল বৈৰী,*
*জীৱ কাঢ়ি নেই কেন কৰি।*
*পাইব গৈয়া নাগেৰী সুন্দৰী,*
*আউৰ দুনাই নাসিৱন্ত হৰি।।— আইৰ আজি টোপনি নেভাগে হবলা। দুখে ভাগৰে লালকাল দেহি অলপ শোৱক।* (অতুল চন্দ্ৰ হাজৰিকা (সম্পা.), *বেজবৰুৱা গ্ৰন্থাৱলী প্ৰথম খণ্ড*, পৃ. ৫৬৯)

৬. উল্লিখিত, পৃ. ৬৬২

বয়সীয়া ছোৱালী এজনীৰ সতে বিয়া পতাই দিছে। ডম্বৰুধৰে কাকতে পত্ৰই চেণ্টিমেণ্টেল কবিতাও লিখে। তেওঁ বিবাহৰ প্ৰথম নিশা ন-কন্যাৰ আগত ইংৰাজী সাহিত্যৰ আধাৰত প্ৰেমৰ আবেগ ব্যক্ত কৰিছে। ৰোমিঅ' জুলিয়েটৰ উপমা দি আবেগত আপ্লুত হৈছে। কিন্তু তেওঁ প্ৰিয়তমাৰ ৰূপ কবিতাৰ মাধ্যমত বৰ্ণনা কৰিব বিচাৰিছে কীৰ্তন-ঘোষাৰ পদৰ আৰ্হিত। (অৰুণ নমন নখ অৰুণ বৰণ,/অৰুণ অধৰ চাৰু অৰুণ চৰণ।)

**৫) দদায়েক পদো আৰু ভতিজাক ভদো ঃ**

গল্পৰ বক্তা মিলাৰাম গুৱাহাটীৰ পৰা আহি ধুবুৰীৰ পদো শইকীয়াৰ ঘৰত আলহী হিচাপে থাকিছে। অতিথি আপ্যায়ণত দেশী-বিদেশী ফটিকাৰ ৰাগিত গল্পৰ নায়কৰ মনলৈ কীৰ্তন-ঘোষাৰ ভকতীয়া ফকৰা আহিছে - ফকৰাত আছে, "বালি বীৰ, বলি বীৰ, অৰ্দ্ধ হনুমান।" কীৰ্তন পুথিত আছে, "একে পাট শৰে বালি শঙ্কলিলা জীৱ।"[৭]

**২) জোনবিৰি ঃ**

**নাঙলুচন্দ্ৰ দাস ঃ**

গল্পৰ নায়ক চোকাবুধীয়া নাঙলুচন্দ্ৰই ডিব্ৰুগড়ত মীনকান্ত পেস্কাৰৰ ঘৰত লাচনি পাচনি কৰি পঢ়িবলৈ আৰম্ভ কৰিছিল। মিনকান্ত পেছ্কাৰৰ কন্যা শিৰীষৰ নামত প্ৰেমবশতঃ তেওঁ কীৰ্তনৰ হৰমোহন খণ্ডৰ আলমত ধেমেলীয়া কবিতা লিখিবলৈ আৰম্ভ কৰিলে। কবিতাটিৰ উদ্ধৃতি তুলি দিয়া হ'ল।(শিৰীষ সেউতী,/তমাল মালতী লবঙ্গ বাগী গুলাল।/এতিয়াই দেখা দি প্ৰাণ হৰি নি, বাগি দি ক'লৈ পলাল।)

**৩) কেহোঁকলি ঃ**

**পাতমূগী ঃ** গল্পটিত কুমাৰ জাতিৰ ছোৱালী পাতমুগীৰ প্ৰেমজনিত কাৰণত এটি ব্ৰাহ্মণ সম্প্ৰদায়ৰ ল'ৰাৰ লগত বিবাহ সম্পন্ন হৈছে। পাতমুগীয়ে মাকৰ বাধাও নামানি সেই বকতা মৌজাৰ বামুণ ল'ৰাৰ লগত বিবাহপাশত আবদ্ধ হৈছে আৰু ল'ৰাটিয়েও লগুণত ধৰি শপথ খাই তাইক যাৱৎজ্জীৱন পাতমুখীক নেৰে বুলি কথা দিছে। কিন্তু চপনীয়া ডেকাই এবছৰ মাত্ৰ ছোৱালীজনীৰ সতে ঘৰ সংসাৰ কৰি থাকি থিতাতে অদৃশ্য হৈ পৰিল। কোনেও তাৰ শুংসূত্ৰ উলিয়াব নোৱাৰিলে। তাই ল'ৰাটোৰ বিৰুদ্ধে কৰ্টত গোচৰ দিবলৈ গৈও নিজৰ দদায়েকৰে তাইৰ প্ৰতি অসৎ দৃষ্টি অনুভৱ কৰি গোচৰ উঠাই লৈছে আৰু বৈষ্ণৱ ধৰ্ম সাৰোগত কৰি দেশসেৱাত আত্মনিয়োগ কৰিবলৈ সংকল্প লৈছে। পাতমুগীৰ চিন্তা - দৰ্শনত

৭. উল্লিখিত, পৃ. ৬৭৩

কীর্তন-ঘোষাৰ প্ৰভাৱ পৰিছে। তাই দদায়েকক কৈছে —

ধৰ্ম্ম কাক বোলে, আমাক আমাৰ মহাগুৰু শ্ৰীমন্ত শঙ্কৰে তেওঁ কৰা

কীৰ্তনত কৈ দিছে ঃ-

সমস্ত ভূততে দেখিবেক নাৰায়ণ।

আত পৰে আন ধৰ্ম্ম সৱে বিড়ম্বন।। [৮]

পাতমুগীয়ে ঈশ্বৰক ভক্তি কৰিলেই ঈশ্বৰক কেনেকৈ পাব পাৰি সেই বিষয়ে কীৰ্তন-ঘোষাৰ তত্ত্বৰ মাধ্যমেৰে উপলব্ধি কৰিছে। পাতমুগী চৰিত্ৰৰ মাজেৰে নৱবৈষ্ণৱ ভক্তিৰ মূলতত্ত্ব আৰু তাই সকলো সাংসাৰিক কামনা-বাসনাৰ পৰা মুক্ত হৈ কীৰ্তন-ঘোষাৰ ভক্তিময় মানৱীয় দৰ্শন সাৰোগত কৰি দেশসেৱাৰ কামত নিজকে নিয়োজিত কৰিলে।

**শ্বন্ ঃ** গল্পটিত বক্তাৰ এজন বন্ধুৰ কাহিনী বৰ্ণিত হৈছে। বন্ধুপত্নীয়ে কুকুৰৰ সঙ্গ ভাল পায় কিন্তু সংস্কাৰী বন্ধুয়ে কুকুৰ অস্পৃশ্য বুলি ছাঁটোকেই সহ্য কৰিব নোৱাৰে। তেনেস্থলত বন্ধুপত্নী ঘৰ এৰি মাতৃগৃহলৈ গুছি গৈছে। ঘটনাৰ উমান পাই বক্তাই বন্ধুক কীৰ্তন-ঘোষাৰ উদ্ধৃতি দি স্বামী-স্ত্ৰী সদায় মিলাপ্ৰীতিকৈ থাকিব লাগে, সকলো প্ৰাণীকে সমান দৃষ্টিৰে চাব লাগে বুলি বুজাইছে। তেতিয়াহে সুখ শান্তি অটুট থাকে। বক্তাই- তিৰীয়ে পুৰুষে হৈব একমতি।/তেহে সিজিব হৰিত ভকতি।। — বুলি কীৰ্তন-ঘোষাৰ উদ্ধৃতি দি বন্ধুক বুজাইছে। শাস্ত্ৰৰ উদ্দেশ্যই হ'ল সকলো প্ৰাণীকে সমান চকুৰে চোৱাৰ শিক্ষা দিয়া। গতিকে কুকুৰটোকো অস্পৃশ্য বুলি ভাবিব নালাগে।[খ]

**(গ) বেজবৰুৱাৰ কবিতাত কীৰ্তন-ঘোষাৰ প্ৰভাৱ ঃ**

**ৰেণুকা ঃ** এই কবিতাটিত বেজবৰুৱাই কীৰ্তন-ঘোষাৰ প্ৰভাৱেৰে ভকতি আৰু ঈশ্বৰ বিশ্বাসৰ কথা উল্লেখ কৰিছে। কবিতাটিৰ এটা স্তৱকত কীৰ্তন-ঘোষাত ব্যৱহৃত দুয়োবিধ ছন্দৰ ভিতৰত ঝুমুৰী,

---

৮. উল্লিখিত, পৃ. ৭৬০

প্ৰসঙ্গটোকা (খ) ঃ *শাস্ত্ৰবোৰৰ সাৰ উদ্দেশ্য কি ?সমস্ত প্ৰাণীতে ঈশ্বৰ বিষ্ণু প্ৰৱেশ কৰি আছে। সেই দেখি সকলো প্ৰাণীকে নিজৰ নিচিনা দেখিব লাগে;*
*ব্যাপক বিষ্ণু প্ৰভু চক্ৰপাণি।/সবাতো আছন্ত জগত স্বামী।।*
*কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম।/জানি জানি সবাহাক্কে কৰিবা প্ৰণাম।।*
*ভগৱন্তৰ নিজ মুখৰ বাক্য —*
*সমস্ত ভূততে ব্যাপি আছো মই হৰি।/সবাকো মানিবা তুমি বিষ্ণু বুদ্ধি কৰি।।*
*তেন্তেনো কুকুৰটো কেনেকৈ অস্পৃশ্য হ'ল ? তাক ধুই পখালি চাফ-চিকুণ কৰি ল'লেই সি পবিত্ৰ।*
*(অতুলচন্দ্ৰ হাজৰিকা ঃ বেজবৰুৱা গ্ৰন্থাৱলী প্ৰথম খণ্ড, পৃ. ৭৬৩)*

লেচাৰি, ছবি, দুলৰী-ছন্দৰ ব্যৱহাৰৰ কথা উল্লেখ কৰিছে- *ঝুমুৰী, লেচাৰি, ছবি, দুলৰীৰ সুৰ,/কবিতা কদম কলি ৰেণুৰেই পুৰ।*

**ঈশ্বৰ আৰু ভকত ঃ**

বৈকুণ্ঠৰ পৰা হৰিয়ে সুধিলে —
"কোন কোন আহিবৰ হ'ল?"
নাম লোৱা ভকতে সাদৰি বুলিলে
"নামতে গৈ আছো তল।"
বৈকুণ্ঠৰ পৰা গোঁসায়ে মাতিলে —
"আহাঁ হে ভকতসকলহু"
নাম লোৱা ভকতে লাহেকৈ বুলিলে
"ভকতিত পাই লওঁ হক বল।"[৯]

—উক্ত কবিতাটিত ভকত সকলৰ নাম কীৰ্তনৰ প্ৰসঙ্গ স্পষ্ট ভাৱে উল্লেখ হৈছে। ভক্তিসহকাৰে হৰিনামৰ কীৰ্তন কৰা ভকতসকলক স্বয়ং ভগৱানে বৈকুণ্ঠৰ পৰা আমন্ত্ৰণ কৰোতে নামলোৱা ভকতসকলে কেৱল ভকতিৰ বলতহে নিজকে সৌভাগ্যবান বুলি ভাবিছে। বৈকুণ্ঠলৈ যোৱাটো তেওঁলোকৰ বাবে তুচ্ছ কথা; কীৰ্তন-ঘোষাৰ শ্ৰৱণ কীৰ্তনৰ মাধ্যমেৰে প্ৰতিষ্ঠিত হৰিকীৰ্তনহে সৰ্বশ্ৰেষ্ঠ মত। গতিকে উক্ত কবিতাটিত সম্পূৰ্ণৰূপে নৱবৈষ্ণৱ ধৰ্মৰ নাম-প্ৰসঙ্গ তথা ভক্ত আৰু ভগৱানৰ পবিত্ৰ সম্পৰ্কৰ বান্ধোনৰ দিশ স্পষ্টভাৱে নিৰ্দেশিত কৰা হৈছে। একশৰণ হৰিনাম ধৰ্মত কিদৰে নাম-কীৰ্তনৰ সাংগীতিক লহৰে ঈশ্বৰ আৰু ভক্তৰ একাত্মতা নিশ্চিত কৰিব পাৰে কবিতাটিত তাৰেই ব্যঞ্জনা ফুটি উঠিছে।

২) **পদুমকলি** (১৯৬৮ চন)

ক) **ব্ৰহ্মপুত্ৰ সঙ্গীত** ঃ বেজবৰুৱাই স্বয়ং ব্ৰহ্মপুত্ৰ সংগীত গীতটিত কীৰ্তনৰ সুৰ আৰোপিত হৈছে বুলি উল্লেখ কৰিছে। শান্তনু কুলনন্দনহু/ তোমাৰ তীৰত মাধৱদেৱে ৰচিছিল যে ঘোষাখনি?/ তোমাৰ তীৰত শঙ্কৰ মাধৱৰ হৈছিল যে মিলনি ?[১০]

খ) **গীত** (২)

নিজৰ দেশৰ নিৰ্ম্মল ধৰম
নামঘৰৰ দুৱাৰ মুখে।

৯. অতুলচন্দ্ৰ হাজৰিকা, *বেজবৰুৱা গ্ৰন্থাৱলী* (দ্বিতীয় খণ্ড), পৃ. ১৯১
১০. উল্লিখিত, পৃ. ৯৯৫

"গুৰু লাগে মই শিক্ষিত শিষ্য হু" —

জগতক জননী দিলোঁ ;

জগতৰ গুৰু শঙ্কৰ ঘৰতেই,

অন্ধলাই নেদেখিলোঁহু [১১] — এই গীতটিত গুৰুশিষ্য আৰু নামঘৰৰ উল্লেখে কীৰ্তনৰ জনপ্ৰিয়তা বৃদ্ধি কৰিছে বুলি উপলব্ধি কৰিব পাৰি।

ঘ) **বেজবৰুৱাৰ নাটকত শঙ্কৰদেৱৰ কীৰ্তন-ঘোষাৰ প্ৰভাৱ ঃ**

১) **ধেমেলীয়া নাটক ঃ**

ক) **লিতিকাই ঃ** ধেমেলীয়া নাটক লিতিকাইৰ চৰিত্ৰসমূহৰ মুখত কীৰ্তন-ঘোষাৰ পদৰ উল্লেখ লক্ষণীয়। নাটখনিৰ সাত ভায়েকৰ আলাপত তিতাইৰ মুখৰ সংলাপ ঃ

তিতাই। কি কথা আছে ? মোৰ লীলামালা, 'চেমতি হৰণ' কাণখোৱা পুথিৰ পদ ছোৰে-ছোৰে আহে। মুখ মেলিলেই পৰুৱাৰ লানি লগাদি লাগিবলৈ ধৰিব। ফেঁচামৰীয়া আতাই মোৰ শৰীল'ত এইবোৰ গুণ দেখিয়েই, মোক বৰগায়ন পাতিব খুজিছিল। মই চৰতীয়া এটাই পানী গামোছা এখনে দিবলৈ সৈমান নোহোৱাতহে থাকিল।

তিতাই । 'চক্ৰুবাত' অসুৰে কিষ্ণক নিলে হৰি।

প্ৰসেন্ন বনক গৈলা ৰঙ্গে ঘোণ্ডা চড়ি।।

(দ্বিতীয় অঙ্ক, প্ৰথম দৰ্শন)[১২]

সেইদৰে দেউৰাম বাপুৰ সংলাপতো কীৰ্তন-ঘোষাৰ পদ লক্ষণীয় দিশ।

ভিতৰৰ পৰা গীত গাই হাতত ফুলৰ কুঁকি লৈ দেউৰাম বাপুৰ প্ৰৱেশ।

দেউৰাম । পাছে ত্ৰিনয়ন, দিব্য উপবন, দেখিলন্ত বিদ্যমান।

ফল-ফুল ধৰি, জকমক কৰি, আছে যত বৃক্ষ গণ।

শেৱালি-নেৱালি, পলাশ পাৰলি, পাৰিজাত জুতি জাঁই।

বকুল-বন্দুলি আছে ফুলি ফুলি, তাৰ সীমা সংখ্যা নাই।

(দ্বিতীয় অঙ্ক, দ্বিতীয় দৰ্শন)[১৩]

---

১১. উল্লিখিত, পৃ. ৯৯৭
১২. উল্লিখিত, পৃ. ১০১৬
১৩. উল্লিখিত, পৃ. ১০১৭

খ) **পাচনি ঃ** পাচনি আৰু পাচনিয়ানিৰ গৃহত আলহী অহাৰ কথাক কেন্দ্ৰ কৰি ধেমেলীয়া পৰিস্থিতিৰ সৃষ্টি হয়। পাচনি অতিথি পৰায়ণ আৰু সদায় অতিথিৰ বাবে অপেক্ষা কৰে। অতিথি নহ'লে গৃহত ভাত খালেও তেওঁ নিজে অপৰাধ বোধত থাকে। গতিকে নাটখনিৰ আৰম্ভণিতেই কীৰ্তন-ঘোষাৰ পদৰ উদ্ধৃতিসহ পাচনিৰ সংলাপ এনেধৰণৰ ঃ—

ধৰ্ম্মাই পাচনিঃ (ৰাজবাটলৈ চাই ; আপুনা আপুনি) অস্ অস্! মোৰ প্ৰভূ!
আজি মোক গধূলি ভাতমুঠি অকলৈ খাবলগীয়া কৰিলা। এজন আলহী
ভকতকো নাপালোঁ। হায়! হায! মই আলহী অতিথিক নিদি নিজৰ পেটলৈ
ভাত সোমাই শুকৰৰ সদৃশ কাম কৰিবলগীয়া হ'লোঁ।
অতিথিক নিদি যিটো কৰয় ভোজন।
সিজয় পাতক তাৰ অগম্যাগমন। (প্ৰথম দৰ্শন)[১৪]

(কীৰ্তন ঘোষাৰ উক্ত উদ্ধৃতিটো শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ খণ্ডৰ ত্ৰয়োদশ কীৰ্তনৰ পৰা সংগৃহীত।)

সেইদৰে পুনৰ পাচনিয়ে পত্নীয়ে কৌশলৰে খেদি পঠিওৱা আলহীদ্বয়ৰ বিৰহত কীৰ্তন-ঘোষাৰ পদ আওৰাই নিজকে সান্ত্বনা প্ৰদান কৰিছে।

পাচনি।। .......... শাস্ত্ৰত কৈছে 'তিৰীয়ে পুৰুষে হবা একেমতি।
তেবেসে সিজিব হৰিত ভকতি।।'
মিছা, মিছা এই সংসাৰ, এই তিৰী পুত্ৰ, এটাইবোৰ জঞ্জাল। এটাইবোৰ
মিছা, গুৰুজনে ঠিক কৈ গৈছে —
যত দেখা ভাৰ্য্যা-পুত্ৰ সৱে অকাৰণ।
চাই মাত্ৰ থাকে কালে ধৰে যেতিক্ষণ।।
বিষয়ৰ আশা এক তিলে কৰি চুৰ।
যমৰ কিঙ্কৰে ধৰি নিব যমপুৰ।।
যমৰ মূৰ্ত্তিক দেখি হৰাইব চেতনা।
দুৰ্ঘোৰ নৰকে পেলাই ভুঞ্জাইব যাতনা।। [১৫]

১৪. উল্লিখিত, পৃ. ১০৩৩
১৫. উল্লিখিত, পৃ. ১০৩৭

২) **বেজবৰুৱাৰ গহীন নাটক ঃ**

ক) **চক্ৰধ্বজ সিংহ ঃ** বেজবৰুৱাৰ এই বুৰঞ্জীমূলক গহীন নাটখনিত কীৰ্তন-ঘোষাৰ কিছু প্ৰভাৱ পৰা দেখা যায়। নাটখনিৰ সংলাপ, গীতাংশ আদিত কীৰ্তন-ঘোষাৰ প্ৰভাৱ পৰিছে। স্বগৃহ অথবা নামঘৰত কীৰ্তন-পাঠৰ অন্তিম স্তৰত ভকতসকলে সমস্বৰে উচ্চাৰণ কৰা *'জয় ৰাম বোলা, জয় হৰি বোলা'* পদ বেজবৰুৱাই নাটখনিৰ গীতাংশত সংযোজন কৰিছে। গজপুৰীয়া, টকৌ, প্ৰিয়ৰাম, গজপুৰীয়ানী প্ৰভৃতি চৰিত্ৰ সমূহৰ কথোপকথনৰ মাজত বঙালক খেদাৰ কথা লৈ প্ৰতিবাদী গীতৰ সংলাপ দ্বিতীয় অংকৰ প্ৰথম দৰ্শনত আছে।

টকৌ। (গীত)
উঠাঁ অসমীয়া উঠাঁ কাছি পাৰি।
ৰজা-প্ৰজা উঠাঁ বুকু ডাঠ কৰি।।
অসম মাতৃৰ হকে কৰো পণ।
দেশ ৰক্ষা কৰোঁ কৰি প্ৰাণপণ।।
(এটাই কেইটাই উঠি গায়।)
বঙালক বঙালক বঙালক মাৰোঁ।
বঙালক সোণকোঁহ নৈ পাৰ কৰোঁ।।
জয় ৰাম বোলা ; জয় হৰি বোলা ;
জয় জয় হৰি।
খেদি নিও বঙালক খেদি নিও বঙালক,
আহ আহ দূৰ কৰি।। [১৬]

খ) **জয়মতী কুঁৱৰী ঃ** বুৰঞ্জীমূলক নাটখনিত বৰগোঁহায়ে বন্দীশালত জয়মতীক দেখা কৰিবলৈ আহিছে। ল'ৰাৰজাৰ ৰাজসভাত মন্ত্ৰীত্বত পদত থাকি নিজৰ জীৱন কলুষিত কৰা বুলি আত্মদংশনত প্ৰেৰিত হৈ তেওঁ জয়মতীক দিয়া সান্ত্বনাবাণীত কীৰ্তন-ঘোষাৰ তত্ত্ব ব্যাখ্যা কৰিছে।

বৰগোঁহাই। আই জয়মতী। তোক এবাৰ চাই যাবলৈ আহিলো — এই ৰজাৰ মন্ত্ৰীৰ পদত থাকি কলুষিত কৰা মোৰ এই ঘৃণনীয় জীৱনটো, তোক এবাৰ দেখি পবিত্ৰ কৰিবৰ আশাত। আই জয়মতীহ্ন তই আমাৰ বংশৰ পদ্মফুল। তোৰ পূণ্য জীৱনে

১৬. উল্লিখিত, পৃ. ১১০৭

তোৰ পিতৃকুল আৰু শহুৰৰ কুল এই দুই কুলকে পবিত্ৰ কৰিলে। মহাপুৰুষে কীৰ্তনত কৈছে —

যৈত থাকে মোৰ ভক্ত উদাৰ চৰিত্ৰ।
কীট-পতঙ্গকো তথা কৰয় পবিত্ৰ।। [১৭]

ঙ) **বেজবৰুৱাৰ হাস্য-ব্যংগ-কৌতুক ৰচনাত কীৰ্তন-ঘোষাৰ প্ৰভাৱ ঃ**

(১) **দীঘলা কিনাৰাম ঃ** ব্যংগ ৰচনাখনিত বক্তাই নামঘৰৰ নাম প্ৰসঙ্গত কিদৰে আ াদিত হয় তাৰ বৰ্ণনা দিছে — সাধু ভকত সকলৰ সঙ্গ, কীৰ্তন ঘৰত নানা সুমধুৰ ভাৱে কৰা হৰিনাম কীৰ্তন, তাল-খোল আদিৰ সহায়তাৰে সৈতে ঈশ্বৰৰ গুণ নামৰ সুললিত গীত-ভটিমা শুনি মোৰ লৰা কলীয়া নিভাঁজ মনত যে কি আনন্দৰ কল্লোল উঠিছিল তাক মই প্ৰকাশ কৰি তোমাৰ আগত ক'বলৈ অপাৰগহু [১৮] এই প্ৰসঙ্গই বেজবৰুৱাৰ দৃষ্টিত কীৰ্তনৰ আধাৰত কৰা নামপ্ৰসঙ্গৰ গুৰুত্বক নিৰ্দেশিত কৰে।

(২) **বৰবৰুৱাৰ শিষ্যৰ সাহিত্যিক প্ৰতিভা ঃ** ব্যংগ ৰচনা খনিত লম্বাই চৰিত্ৰৰ মুখত সৰোবৰৰ বৰ্ণনা কীৰ্তন ঘোষাৰ 'গজেন্দ্ৰ উপাখ্যান'ৰ পৰা পদৰ সংলাপ দিয়া হৈছে। —

লম্বাই। শুনক তেন্তে —

ধুবুৰী অঞ্চলত গটঙা বাগিছাৰ কাষত মণিৰাম দেৱান কলিতা ৰজাৰ দিনত এখন সৰোৱৰ আছিল। সৰোৱৰখন কেনে আছিল, সেইটো ফটফটীয়াকৈ বুজাবলৈ হ'লে, প্ৰথমতে মই আমাৰ শ্ৰী শঙ্কৰ গুৰুৰ চৰণৰ ধূলি শিৰত লৈ তেখেতৰ সৰোবৰৰ বৰ্ণনা এটা তুলি দিব লাগিব। যেনে—

তাহাৰ মাজে সৰোবৰ এক।
সাগৰ সঙ্কাশ দেখি প্ৰত্যেক্ষ।।
সুবৰ্ণময় পদ্মে আছে জুৰি।
ভ্ৰমৰে মধু পিয়ে তাত পৰি।।
ৰাজহংস আদি যতেক পক্ষী।
পৰি পৰি থাকে নযায় উপেক্ষি।।
কুমুদ সিন্ধি উতপল ফুল।
ফুলি আছে গন্ধে নাহিকে তুল।।

১৭. উল্লিখিত, পৃ. ১১৫৯
১৮. উল্লিখিত, পৃ. ১৩৩৭

চৌভিতি বেঢ়ি আছে তৰুগণে।

কহিবে নাম তাৰ কোনজনে।।

এনেখন সৰোবৰহু কিন্তু কালৰ কুটিল গতিত সেই সৰোবৰ আজি

নাই।[১৯]

**বৰবৰুৱাৰ ফু ঃ** উক্ত ব্যংগ ৰচনাত বক্তাই মাতৃভাষা এৰি ইংৰাজী ভাষালৈ মন মেলা ব্যক্তি সকলক তীক্ষ্ণ ব্যংগ কৰিছে এনেধৰণেৰে —

... ইয়াৰ পাছত ভাৰত এনেকৈ দপ দপাই উঠিব এনেকৈ উচাৎ

মাৰি উঠিব, যে সেই উচাৎ আৰু দপদপনিয়ে

ঝঙ্কাৰন্ত শিৰৰ কেশৰ।

উৰাই সৰে বিমান স্বৰ্গৰ।।

খলকে সাগৰ শ্বাস লাগি।

বেগত পৰ্ব্বত পৰে ভাগি।।

হ'ব। এতেকে মই নিশ্চিন্ত।[২০]

সংলাপটিত ব্যৱহৃত পদটি কীৰ্তন-ঘোষাৰ 'প্ৰহ্লাদ চৰিত্ৰ'ৰ অষ্টাদশ কীৰ্তনৰ পৰা আহৰিত। কীৰ্তন-ঘোষাৰ আলমত লম্বাই চৰিত্ৰৰ আগত বৰবৰুৱাই মানৱ জীৱনৰ ক্ষণভংগুৰতাৰ তাৎপৰ্য সম্পৰ্কেও ব্যাখ্যা কৰিছে। মৃত্যু সম্পৰ্কে তেওঁ কৈছে —

মানুহে যাক মৃত্যু বোলে, সি দেহান্তৰ ;

দেশান্তৰ আৰু গ্ৰহান্তৰ মাথোন।

... .... ....

হাতে পাশজৰী চক্ষু টেৰ কৰি

থুলন্তৰ তাৰ জাঙ্গ।

কৃষ্ণবৰ্ণ কায় দেখি ধাতু যায়

হাতত লোহাৰ ডাঙ্গ।

তাৰ নাম ভয়। সেই ভয়ৰ ভয় নাই, ভাগৰ নাই,

জিৰণিও নাই, ফুৰণিও।"[২১]

---

১৯. উল্লিখিত, পৃ. ১১৫৫

২০. উল্লিখিত, পৃ. ১৪০৩

২১. উল্লিখিত, পৃ. ১৪০৯

উদ্ধৃত কীৰ্তন-ঘোষাৰ পদফাকি কীৰ্তন-ঘোষাৰ অজামিল উপাখ্যানৰ প্ৰথম কীৰ্তনৰ পৰা আহৰিত। একে প্ৰসঙ্গতে বক্তাই পুনৰ কীৰ্তন-ঘোষাৰ উৰেষা বৰ্ণনৰ অষ্টম কীৰ্তনৰ পৰা উল্লেখ কৰিছে।[গ]

৪) **বৰবৰুৱাৰ ভাৰৰ বুৰবুৰণি ঃ মনুষ্য পুৰাণ** (তৃতীয় অধ্যায় প্ৰথম ভাগ)

অধ্যায়টিত বক্তাই বন্ধুৰ আগত কীৰ্তন-ঘোষাৰ উদ্ধৃতি দি বাক্যবাণ মাৰিছে এনেদৰে —

.... গতিকে এটিক এৰি আনটিক বধ কৰিবলৈ তেওঁ কৃতসংকল্প হ'ল।

শূলক তুলি গৰ্জ্জি দৈত্যনাথ।
দশন কামুৰি ঝংকাৰে মাথ।।
দানৱ গণক মাতে সম্বুধি।
মাৰিবো বৰাহক শূলে বিন্ধি।।

কলিত শূলৰ ঠাইত বন্দুক আৰু তাৰো প্ৰয়োগ চলে, মাথা নঝঙ্কাৰি আৰু দশন নাকামুৰি। অধিকন্তু কাকো একো নম্বুধি অৰ্থাৎ চুপ-চাপ কৰি তেওঁ দিলে মাৰি এটিৰ গালৈ এটি গুলী। গুলী খাই বৰাহ বিমূৰ্চ্ছিত আৰু তাৰ পিছত পতন আৰু মৃত।[২২]

৫) **সত্য আৰু অসত্য ঃ** সত্য আৰু অসত্যৰ মাজৰ তাৎপৰ্য ব্যাখ্যা কৰিবলৈ বক্তাই কীৰ্তন-ঘোষাৰ উদ্ধৃতি ব্যৱহাৰ কৰিছে।—

অখণ্ড জগতখান তোমাত উদ্ভৱ ভৈল
সন্ত হেন প্ৰকাশে সদায়।
কৰ্ম্ম জড় মনুষ্যৰ মন মগ্ন ভৈল তাতে
বেদৰ নুবুজে অভিপ্ৰায়।। (কীৰ্তন) [২৩]

---

**প্ৰসঙ্গটোকা (গ) ঃ** *শ্ৰীশঙ্কৰদেৱে কীৰ্তনত লেখা সেই পদ কেইফাঁকি তহঁতৰ মনত আছে নে নাই ক'ব নোৱাৰোঁ। মোৰ হ'লে আছে। শুনা — লভিলোহোঁ জন্ম প্ৰভু অসংখ্য প্ৰমাণ।/পঢ়িলোহোঁ বেদশাস্ত্ৰ অনেক পুৰাণ।। /অসন্তোষ সন্তোষক লভিলো অপাৰ।/ক্ষয় বৃদ্ধি উদয়কো পাইলোঁ বাৰ বাৰ।।/ সংযোগ বিয়োগ শত্ৰু-মিত্ৰ বান্ধৱৰ।/দেখিলো সংসাৰে পিতৃ-মাতৃক বিস্তৰ।/সুখ-দুখ অনুভৱ ভৈল-অসংখ্যাত।/পাইলো পুত্ৰ ভ্ৰাতৃ জ্ঞাতি অনেক ইহাত।/... ... .../কৃমি কীট হস্তী ঘোঁৰা মৃগ বৃক্ষ পক্ষী।/গৰু উট মহিষ পশুক য'ত দেখি।।/দ্বিজ শূদ্ৰ ধনী দুঃখী তপস্বী যতেক।/ৰাজ্য ৰাজভৃত্য অন্যে মনুষ্য অনেক।/সবাৰে গৃহত বাৰে বাৰে ভৈলো জাত।/অনেকৰ ভৈলোঁ প্ৰভু ভৃত্য অসংখ্যাত।।/হওঁ কতো দৰিদ্ৰ ঈশ্বৰ অধিকাৰী।/ কতো মোকে মাৰে কৰো ময়ো আছোঁ মৰি।।*(অতুল চন্দ্ৰ হাজৰিকা (সম্পা.), *বেজবৰুৱা গ্ৰন্থাৱলী দ্বিতীয় খণ্ড, পৃ.* ১৪০৯)

২২. উল্লিখিত, পৃ. ১৪৩৯
২৩. উল্লিখিত, পৃ. ১৪৪৫

৬) **যুগধৰ্ম ঃ** বেজবৰুৱাই যুগধৰ্মৰ বিষয়ে ক'বলৈ যাওঁতেও কীৰ্তন-ঘোষাৰ উদ্ধৃতি ব্যৱহাৰ কৰিছে।

আমাৰ কীৰ্তনত আছে যে ত্ৰেতাযুগীয়া মুচুকুন্দই যেতিয়া কালযৱনক তেওঁৰ চকুৰ অগনিৰে পুৰি, শ্ৰীকৃষ্ণক দৰ্শন কৰি, কৃষ্ণৰ আজ্ঞামতে পৰ্ব্বতৰ গহ্বৰৰ পৰা আহিল, তেতিয়া তেওঁ —

হেন অনুগ্ৰহ পাই মাধৱৰ।
কৰিলা কৃষ্ণক প্ৰদক্ষিণ নৃপবৰ।।
চৰণে প্ৰণামি বাজ ভৈলা গহ্বৰ।
দেখে ক্ষুদ্ৰ ভৈল সবে বৃক্ষ পশু-নৰ।।
পাইলেক কলি যুগে আমি মানি মহাৰথ।
ধৰিলন্ত উত্তৰ দিশক লাগি পথ।।[২৪]

৭) **অভিনন্দন ঃ** এই ৰচনা খনিতো বেজবৰুৱাই লম্বাই চৰিত্ৰৰ মুখত সমাজৰ সভা-সমিতি, সাহিত্য ইত্যাদিৰ প্ৰসঙ্গত বাৰ্তালাপ কৰোঁতে কীৰ্তন-ঘোষাৰ গীতপদ সংলাপ হিচাপে দিছে। লম্বায়ে বৰবৰুৱাক সাহিত্য সভালৈ যোৱাৰ প্ৰসঙ্গত প্ৰশ্ন সুধিছে।

লম্বাই ঃ... তাহানি ইন্দ্ৰদ্যুম্ন ৰজাই জগন্নাথৰ প্ৰতিমা স্থাপন কৰিবলৈ গৈ মন্ত্ৰীক আদেশ দিছিল —

মন্ত্ৰীক মাতিয়া পাছে ৰাজা আদেশয়।
চাৰিও দিশক লাগি পাঞ্চা দূতয়।।
আনোক হুস্কাৰি ৰাজাগণে নিৰন্তৰে।
চতুৰঙ্গ সেনা লৈ আমাক সত্বৰে।।

সভাৰ আদেশমতে সেইদৰে চাৰিওফালে নিমন্ত্ৰণ চিঠি পঠিয়াই সাহিত্যিক সকলক হুস্কাৰি আনিছিল। আপুনিনো সেই হুস্কাৰ নুশুনিলে নে ? [২৫]

বৰবৰুৱাই সেই কথাৰ উত্তৰত তেওঁ সাহিত্য সভালৈ নাইযোৱা অথচ তেওঁৰ অদৃশ্য উপস্থিতি তাত আছিল বুলি কৈছে। সভাত 'জয় কৃপাবৰ বৰবৰুৱাৰ জয়' বুলি ভলণ্টিয়াৰ সকলে চিঞৰিছিল।

২৪. উল্লিখিত, পৃ. ১৪৪৮
২৫. উল্লিখিত, পৃ. ১৪৯০

তেওঁ ভলণ্টিয়াৰ অৰ্থাৎ বলণ্টিায়ৰ শব্দৰ তাৎপৰ্য ব্যাখ্যা কৰিছে। চৰ্ম চক্ষুৰে দেখা সকলতকৈ অন্তৰ্দৃষ্টিৰে চাব জনা ভলণ্টিয়াৰ সকলৰ মনত সকলো স্পষ্ট। 'য়াৰ' প্ৰত্যয় লগাই শব্দৰ শক্তি বৃদ্ধি কৰাৰ উৎকৃষ্ট উদাহৰণ ভলণ্টিয়াৰ। বৰবৰুৱাই সেই কথাৰ প্ৰমাণ দিবলৈ কীৰ্তন-ঘোষাৰ পদ উদ্ধৃত কৰিছে।

... আন শাস্ত্ৰ নেলাগে আমাৰ কীৰ্তন-ঘোষাকে পঢ়ি চোৱা। কংস বধ ছোৱাত কংসৰ মুখ্য মাল চানূৰে কৈছিল —

"এহেন্তে ৰাম মহা বলীয়াৰ।
এন্তে সমে তুমি কৰা প্ৰহাৰ।।"

বলী শব্দটোত 'য়াৰ' যেনেকৈ লাগিল বলন্তি শব্দটোতো 'য়াৰ' তেনেকৈয়ে লাগিল। মুঠতে বলী আৰু বলন্তি শব্দৰ তেজ বঢ়াবলৈ 'য়াৰ' তেজপাতৰ প্ৰয়োগ। [২৬]

৮) **ঘূৰণীয়া মেজমেলৰ ফলাফল ঃ** বৰবৰুৱাৰ গৃহত বৰবৰুৱা আৰু লম্বাইৰ কথোপকথনত কীৰ্তন-ঘোষাৰ পদৰ উল্লেখ বিশেষ ভাৱে লক্ষ্য কৰা যায়। লম্বায়ে আহিয়ে কীৰ্তনৰ পদকেই মাতিছে।

কিসক দৈত্যেন্দ্ৰ আছা মনত বিকলে।
তিনিও লোকক তুমি জিনিলা অকলে।।
তযু কটাক্ষতে কম্পে দিগ পাল গণ।
তোমাৰ চিন্তাৰ কিছু নেদেখো কাৰণ।। [২৭]

দুয়োৰে ভাৰতবৰ্ষৰ সমসাময়িক ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক সমস্যা, সত্যাগ্ৰহ ইত্যাদি বিষয়ক আলোচনাত কীৰ্তনৰ প্ৰসঙ্গই স্থান লাভ কৰিছে। লম্বায়ে পুনৰ কৈছে —

আমাৰ কীৰ্তন পুথিখন মেলি চালেই ডাঙৰীয়াই দেখিব, দৈত্য শিশুবোৰৰ ৰজা দৈত্যেন্দ্ৰয়ে দুৰ্ঘোৰ তপস্যা। কৰিহে ব্ৰহ্মাৰ পৰা বৰ লভিছিল। তেওঁৰ তপৰ ধুমটো চাওঁক —

আকাশ চাই উৰ্দ্ধবাহু হুই।
থাকিল ভূমিক অঙ্গুষ্ঠে ছুই।।
জটাৰ দীপিতি দেখন্তে ত্ৰাস।
প্ৰলয় সূৰ্য্যৰ যেন প্ৰকাশ।।

২৬. উল্লিখিত, পৃ. ১৪৪৮
২৭. উল্লিখিত, পৃ. ১৪৮৪

ঢাকিল তনু উঁই মাটি তুলি।

শৰীৰৰ মাংস খাইলে সমূলি।

গজিল তাক ঢাকি বেৰু জাৰ।

তথাপি কটাক্ষ নাহিকে তাৰ।। [২৮]

অৰ্থাৎ দৈত্য হোৱা স্বত্বেও গভীৰ তপস্যাৰ জৰিয়তেহে দৈত্যেন্দ্ৰ হিৰণ্যকশিপুয়ে কাংক্ষিত ফল লাভ কৰিছিল; তেনেস্থলত সাধাৰণ জনে বৰ দিয়া ব্ৰহ্মা বুলিলেই কম আয়াসতে কোনো ফল লাভ নকৰে।

৯) **বৰবৰুৱাৰ ভাৰৰ বুৰবুৰণি** (দ্বিতীয় ভাগ)

**বুৰবুৰণি ৰহস্য ঃ** বৰবৰুৱাক গাঁৱৰ গেন্ধেলা গাঁওবুঢ়াই তেওঁৰ ভাৰৰ বুৰবুৰণিৰ ৰহস্য সম্পৰ্কে জানিব বিচাৰিছে। তেতিয়া তেওঁ সংসাৰ যাত্ৰাৰ ভিন্ন ঢৌ, সমস্যা আদিৰ প্ৰসঙ্গত কীৰ্তন-ঘোষাৰ ওৰেষা বৰ্ণন খণ্ডৰ উদ্ধৃতি দিছে —

*ইন্দ্ৰদ্যুম্ন ৰজা তেতিয়া,* (পাইলন্ত দক্ষিণ সাগৰৰ গৈয়া তীৰ।/ঢৌগণ নাচে যেন অগাঢ় গম্ভীৰ।। )[২৯]

সেইদৰে আকৌ কৃষ্ণক হেৰুৱাই গোপিনীসকলে বিয়াকুল হৈ গছ-লতিকাক তেওঁৰ বাতৰি সোধাৰ কথা সম্বলিত ৰাসক্ৰীড়া খণ্ডৰ কীৰ্তনো বৰবৰুৱাই উল্লেখ কৰিছে —

ওবা তুলসী সমিধান দিয়া।

তুমি গোবিন্দৰ চৰণ প্ৰিয়া।।

যাহান্তে দেখিলা নন্দ কুমাৰ।

প্ৰাণতো অধিক প্ৰিয় আমাৰ।।

হে জাতী যুতী সখী মালতী।

কৃষ্ণ পৰশে কি লভিলা গতি।।

সমস্তে গোপীৰ জীৱন ধন।

দেখিলা যাহান্তে নন্দনন্দন।।

মৃগপত্নী সখি দেখিলা হৰি।

তোমাৰ নেত্ৰৰ আনন্দ কাৰী।। [৩০]

---

২৮. উল্লিখিত, পৃ. ১৪৮৫

২৯. উল্লিখিত, পৃ. ১৪৮৯

৩০. উল্লিখিত, পৃ. ১৪৮৯

১০) **কবি বিভ্ৰাটৰ ফুৰফুৰণি ঃ** ৰচনাখনিত বৰবৰুৱাই কীৰ্তন-ঘোষাৰ আৰ্হিত পদ ৰচনা কৰিবৰ প্ৰয়াস কৰিছে।

... বৰবৰুৱাৰ ভাৱৰ বুৰবুৰণিত অকল যে ভাৱেই থাকে এনে নহয়;
তাত অৱ, অভাৱ, প্ৰভাৱ, বিভাৱ, এই চৰ্তুবৰ্গ বিদ্যমান। মহাপুৰুষৰ
কীৰ্তনত কৈছে —
কৃষ্ণৰ কীৰ্তন কৰি বৈকুণ্ঠক যায়।
ধৰ্ম্ম অৰ্থ কাম মোক্ষ আত সৰে পায়।
সেই আৰ্হিমতে পাঠকে
বৰবৰুৱাৰ বুৰবুৰণিত চৰ্তুৰ্ব্বৰ্গ পায়।
ভাবাভাব প্ৰভাবাদি চাৰিও কৌটি ভাই।।[৩১]

কাকতলৈ কবিতা প্ৰকাশৰ বাবে পঠিয়ালে বহুতৰে কবিতা প্ৰকাশ নহয়; প্ৰকাশ যোগ্যতা অনুসৰি সম্পাদকে কবিতাসমূহ নিৰ্বাচন কৰে। এই প্ৰসঙ্গত লম্বায়ে বৰবৰুৱাৰ আগত কীৰ্তন-ঘোষাৰ পদৰ উদ্ধৃতি দি যুক্তি দিছে এনেদৰে —

... বৰবৰুৱা ডাঙৰীয়াৰ ভু থাকিব পায়হে কিছুমান কবিৰ কবিতা still born দ্বিতীয় অৰ্থাৎ গৰ্ভতে মৰি ওপজে। কিছুমানৰ আমাৰ কীৰ্তনত লেখাৰ দৰে, দ্বাৰকাত বিপ্ৰপুত্ৰৰ নিচিনাকৈ “ভূমিক ছুইলেক মাত্ৰ প্ৰাণ গৈল টুটি” হয়। কিছুমানৰ “যথা পূৰ্ব্বং তথা পৰং” ৰূপে সেই বিপ্ৰৰ পুত্ৰবোৰৰ দৰে ন বাৰ মৰে আৰু বামুণে তাৰ বাবে কৃষ্ণক দায়ী কৰাৰ দৰে, তেওঁলোকে সম্পাদকক দায়ী কৰে।

এহিমতে বিপ্ৰৰ মৰিল পুত্ৰ নৱ।
ভৎৰ্সন্ত ব্ৰাহ্মণে দুৱাৰত পেলাই শৱ।।

নিজৰ কৰ্ম্মদোষত যে এই মৃত্যু ঘটিল, সেই কথালৈ মন নকৰি বামুণে কৃষ্ণক গালি পৰাৰ দৰে এইবোৰ কবিয়ে কাকতৰ সম্পাদকক গালি পাৰে।[৩২]

সেইদৰে সম্পাদকে কিছুমান কবিতা তেওঁৰ কাকতত নছপালেও অন্য কাকতত সেইসমূহ ওলাব পাৰে। এই কথাৰ তুলনাও বৰবৰুৱাই কংসই দৈৱকীৰ পুত্ৰবোৰৰ ওপৰত কংসগিৰি কৰা কাৰ্যৰ লগত কৰিছে।

---

৩১. উল্লিখিত, পৃ. ১৪৭৮
৩২. উল্লিখিত, পৃ. ১৪৭৯

যোগমায়াই কংসৰ হাতৰ পৰা পুলকি সাৰি গৈ আকাশবাণী কৰাদি সেই কবিতাদেৰীয়েও আকাশবাণী কৰি সম্পাদকক এসেকা দিয়ে। শাস্ত্ৰৰ পদ উদ্ধাৰ কৰি আমাৰ কথা বোধগম্য কৰোঁ —

পাছে যোগমায়া (এইখিনিত কবিতাই) হাসিয়া বোলয় শুনৰে কংস (এই খিনিত সম্পাদক) নিস্ফল আমাক মাৰিয়া (অৰ্থাৎ ছপা নকৰি) কোন ফল পাইবি, যাইবি পাপী ৰসাতল।। (অৰ্থাৎ তোৰ কাকত অচিৰতে মৰিব)

সিঠাইত সিঠাইত উপজিলা গৈয়া
তোৰ পূৰ্ব্ব প্ৰাণবৈৰী।
(অৰ্থাৎ তোৰ কাকতত নছপালেও আনৰ কাকতত সেই কবিতা ওলালগৈ)
দুখুনী দৈৱকী ব্যৰ্থে হিংসা কৰ
(অৰ্থাৎ কবিক মিছাতে খিয়াল কৰ)
অধোগতি যাইবি মৰি।।
(অৰ্থাৎ সম্পাদক আৰু তাৰ কাকত।)
এতেকে বচন বুলি ভগৱতী
(অৰ্থাৎ কবিতা দেৱী)
কংসৰ আগে শুনাই।
অনেক মানত থাকিলন্ত পাছে
নানা পূজা বলি খাই।।
(অৰ্থ আন আন অনেক মাহেকীয়া কাকতৰ বুকুত নিবাস কৰিলে।) [৩৩]

**১১) সাহিত্য সভাৰ সভাপতি ঃ** এই ৰচনাখনত পৰোক্ষ ভাবে বৰবৰুৱাই নাৰী-পুৰুষৰ সম-অধিকাৰৰ কথা উল্লেখ কৰিছে। বৰবৰুৱাৰ এগৰাকী অসমীয়া মহিলাক সাহিত্য সভাৰ 'সভাপত্নী' ৰূপে দেখিবলৈ পোৱাৰ আশাই এই কথাৰ ইংগিত দিয়ে। মহিলাসকলেও পুৰুষৰ সমানে সকলো কামতে উন্নতি কৰাৰ প্ৰসঙ্গত বৰবৰুৱাই বিবিধ ব্যাখ্যা আগবঢ়াইছে। কীৰ্তন-ঘোষাৰ পৰা তেওঁ উদ্ধৃতি দি আলোচনা

৩৩. উল্লিখিত, পৃ. ১৩৫৫

কৰিছে —

ব্যাস নামে ভৈল সত্যৱতীৰ সন্ততি।

দেখিলাহা প্ৰজা ভৈল অতি অল্পমতি।।

কৰিলা অনেক শাখা চাৰিও বেদৰ।

পুৰাণ ভাৰত শাস্ত্ৰ নিৰ্ম্মিলা বিস্তৰ।। [৩৪]

অৰ্থাৎ পুৰুষ পণ্ডিতসকলে অসংখ্য শাস্ত্ৰ পুৰাণ ৰচনা কৰিছে। সেই শাস্ত্ৰসমূহত পুৰুষেই মহিলাৰ বিপৰীতে গৈ অসংখ্য বিদ্ৰোহ বাণী সমাজত বিয়পাই দিছে।

সেইদৰে পুনৰ বৰবৰুৱাই লিখিছে —

আমাৰ শ্ৰী শঙ্কৰদেৰৰ কীৰ্তন-ঘোযাত লিখিছে —

যদুকুলে অৱতৰি আছা দামোদৰ।

পঞ্চিশ অধিক ভৈল শতেক বৎসৰ।। [৩৫]

অৰ্থাৎ কৃষ্ণৰ জন্মৰ সময় অনুমান কৰিব বিচাৰিছে বৰবৰুৱাই। খৃষ্ট জন্ম ৩২২৬ বছৰৰ আগেয়ে কৃষ্ণৰ জন্ম হৈ ১২৫ বৰ্ষ কৃষ্ণই জীৱনলীলা অতিক্ৰম কৰিছিল। সেই তেতিয়াৰ যুগৰ পৰাই সমাজত নাৰীক পুৰুষে কিছু নিম্ন স্থানত ৰাখিছিল। গতিকে প্ৰবন্ধটিত বৰবৰুৱাৰ ভাৱৰ মাজত নাৰীৰ মৰ্যাদাৰ দিশ ফুটি উঠিছে।

১২) **সাহিত্য সভা দৰ্শন ঃ** এইখনি ৰচনাতো বেজবৰুৱাই বৰবৰুৱা আৰু জয়ধ্বজ শৰ্মাৰ সাহিত্য সভা সম্পৰ্কীয় আলোচনাত কীৰ্তন-ঘোষাৰ 'শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ' খণ্ডৰ চতুৰ্দ্দশ কীৰ্তনৰ পৰা পদ উদ্ধৃত কৰিছে। জয়ধ্বজে বৰবৰুৱাক সাহিত্য সভাত বেজবৰুৱা ডাঙৰীয়াৰ কাষত বহি থাকিলে সন্তোষিত হোৱাৰ কথা কৈছে। সেই প্ৰসঙ্গতে তেওঁ অৰ্জুন আৰু কৃষ্ণৰ কথা টানি আনিছে। সাৰথি কৃষ্ণ অবিহনে গাণ্ডীৱধাৰী অৰ্জুনৰ সকলো শক্তি নিষ্ফল হোৱাৰ দৰে বৰ্তমানৰ পৰিস্থিতিত দুয়োজনৰ উপস্থিতি অবিহনে সাহিত্য সভাও নিষ্প্ৰভ।

জয়ধ্বজ। পাৰ্থ মহাৰথী। কিন্তু পাৰ্থৰ সাৰথি কাষত নেথাকিলে পাৰ্থৰ হাতৰ পৰা গাণ্ডীৱৰ ধনুখন গুৱালৰ ল'ৰাই কাঢ়ি নিয়ে। পাৰ্থই ৰক্ষা কৰি ইন্দ্ৰপ্ৰস্থলৈ আনোতে কৃষ্ণপত্নী সকলকো গৰখীয়া ল'ৰাই কাঢ়ি নিছিল। এই কথা অৰ্জ্জুনে নিজেই যুধিষ্ঠিৰৰ

৩৪. উল্লিখিত, পৃ. ১৪৮০

৩৫. উল্লিখিত, পৃ. ১৫০০

আগত সৈ কাঢ়িছিল ঃ—

কিবা সোধা ৰাজা আমাত কথা।
কেনেনো নভৈল মোৰ অৱস্থা।।
ৰখিয়া আনো কৃষ্ণপত্নীজাক।
গোৱালে কাঢ়ি নিলে আসম্বাক।। [৩৬]

১৩) **ত্রিসংখ্যাৰ কালিকা ঃ** বেজবৰুৱাৰ এইখনি ৰচনাতো কীৰ্তন-ঘোষাৰ প্ৰভাৱ দেখা যায়। ভাৰতৰ তিনিজন লেখত ল'বলগীয়া মানুহৰ ভিতৰত (১) মহাত্মা গান্ধী, (২) ডাক্তৰ ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু (৩) কৃপাবৰ বৰবৰুৱাৰ নাম লেখকে উল্লেখ কৰিছে। প্ৰথম দুজন ব্যক্তিৰ লগত বৰবৰুৱাৰ নাম সংযুক্ত কৰাৰ যুক্তি দৰ্শাবলৈ গৈ বক্তাই কীৰ্তন-ঘোষাৰ শিশুলীলা খণ্ডৰ কীৰ্তন উদ্ধৃত কৰিছে।

কৃষ্ণই হামিয়ালত যশোদাই কৃষ্ণৰ মুখৰ ভিতৰত দেখিছিল ঃ

গৰ্ভৰ ভিতৰে আছে সমস্ত জগত।।
কম্পিল শৰীৰ যশোদাৰ হেন দেখি।
পৰম বিস্ময় হুয়া মুদিলন্ত আখি।।

আৰু কৃষ্ণই "মাটি নাইখোৱা" বুলি মুখ মেলি যশোদাক দেখুৱালত —

যশোদা সুন্দৰী দেখন্ত পাছে।
সমস্ত জগত গৰ্ভতে আছে।।
সাতোখান দ্বীপ সাতো সাগৰ।।
গিৰি বন নদী গ্ৰাম নগৰ।।
বায়ু সূৰ্য্য শশী দিশ আকাশ।
তাৰাগণ তৈতে কৰে প্ৰকাশ।।
যতেক ধেনু গোপ-গোপী জাক।
যশোদা দেখে তৈতে আপোনাক।। [৩৭]

— এইদৰে বক্তাই বৰবৰুৱাৰ গৰ্ভতো সকলোকে দেখিবলৈ পাব বুলি হাঁহিৰাম ককাইক কৈছে। বেজবৰুৱাই অতি যুক্তি সংগতভাৱে তেওঁৰ কথাৰ প্ৰমান হিচাপে কীৰ্তন-ঘোষাৰ পদৰ উপস্থাপন কৰিছে।

১৪) **ভোজন ঃ** লম্বাই শৰ্মা আৰু বৰবৰুৱাৰ ভোজন সম্পৰ্কীয় কথোপকথন যুক্ত কাহিনীটোত

৩৬. উল্লিখিত, পৃ. ১৫০২
৩৭. উল্লিখিত, পৃ. ১৫১২

কীৰ্তন-ঘোষাৰ আৰ্হিত পদ সন্নিবিষ্ট কৰি ৰচনা কৰা হৈছে। মানৱ জীৱনৰ ব্যৱহাৰিক ক্ষেত্ৰখনত সুখ-দুখ ইত্যাদি আবেগিক দিশসমূহৰ উপৰিও খাদ্য গ্ৰহণ কৰাটো অতীৱ প্ৰয়োজনীয় কথা বৰবৰুৱাই এই প্ৰসঙ্গতে উল্লেখ কৰিছে—

> জীৱনৰ সুখ-দুখ নামৰ সৌৰ-মণ্ডলৰ প্ৰধান গ্ৰহ পেট। আয়তনত সি শনি গ্ৰহতকৈও লক্ষ গুণে বৃহৎ। নগাঁৱৰ ভুমুক বহুৱাই সেই দেখি আমাৰ কীৰ্তন-ঘোষাৰ আৰ্হিত পদ কৰি গাইছিল ঃ
>
> পেট-সূৰ্য্য ভৈলন্ত উদিত।
> ভোজন-ধৰ্ম্ম কৰিলা বিদিত।।
> মহাপ্ৰভুৰ মহা প্ৰসাদৰ বিষয়ে আমাৰ কীৰ্তন পুথিত লেখিছে।
> যত ফল পাৱে যজ্ঞ হোম তপ দানে।
> যেন ফল পাৱে তুলা-পুৰুষ প্ৰদানে।।
> যেন ফল লভে ভুক্তাই ব্ৰাহ্মণ কোটীক।
> পাৱে মহাপ্ৰসাদ ভক্ষণে ততোধিক।।
> মহা প্ৰসাদত যত্নে এৰিবা বিচাৰ।
> নাহি কিঞ্চিতেকো জানা ব্ৰহ্মত বিকাৰ।।
> অন্ত্যবৰ্ণে হীনবৰ্ণে যিটো অন্ন ছোৱে।
> তাক ভুঞ্জি সমস্ত পাতক মুক্ত হোৱে।।
> ছোৱা গঞ্জা বুলি যিটো অন্ন নাখায় মোৰ।
> বিপদক পাৱে তাক কৰোঁ দণ্ড ঘোৰ।।
> হৃদয়ত ৰূপ হৰি নাম যাৰ মুখে।
> বিষ্ণুৰ নৈবেদ্য উদৰত ভৰে সুখে।।
> পাদোদক নিৰ্ম্মাল্য সমস্তো থাকে যাৰ।
> বোলা হৰি হৰি সেই বিষ্ণু অৱতাৰ।। [৩৮]

মানৱ জীৱনৰ খাদ্য গ্ৰহণৰ অপৰিহাৰ্যতা সম্পৰ্কে বক্তাই এনেদৰে ধৰ্মীয় প্ৰসাদৰ লগত তুলনা

---

৩৮. উল্লিখিত, পৃ. ১৫১৫

কৰি যুক্তি প্ৰতিপন্ন কৰিছে। কিয়নো অন্ন অবিহনে মানৱ জীৱন সৰ্বনাশ হ'ব। আনহাতে বক্তাই দুৰ্বাসা ঋষিক সকলোতকৈ শ্ৰেষ্ঠ বুলি উল্লেখ কৰিছে। তেওঁৰ মতে,

সপত্নী মাতৃৰ বাক্যে বিদাৰিল মন।
ধ্ৰুৱে আসি আৰাধিলা তোমাৰ চৰণ।।
ত্ৰৈলোক্যৰ ওপৰে তাহাক থৈলা থাপি।
গোধিকাৰ পুচ্ছভাগে দেখিও অদ্যাপি।। (কীৰ্তন) [৩৯]

অৰ্থাৎ দুৰ্বাসা ঋষিক সপ্তৰ্ষি মৰীচি, অত্ৰি, ভৃগু, পুলহ, পুলস্ত্য, ক্ৰতু, অঙ্গিৰা — এই সকল আনকি ধ্ৰুৱতকৈও ওপৰত স্থান দিয়া হৈছে। কাৰণ পৃথিৱীত আচল বস্তু ভোজনত দুৰ্বাসাৰ প্ৰীতি অত্যধিক। ভোজনৰ সামান্য তাৰতম্য ঘটিলেই তেওঁ ভীষণ ক্ৰোধান্বিত হয়।

১৫) **হৰিপদ বিষাদ ঃ** এই কাহিনীটোত বৰবৰুৱাই সমসাময়িক সময়ৰ নাতি-পুতি অৰ্থাৎ ল'ৰা-ছোৱালীহঁতেও শাস্ত্ৰ অধ্যয়ন কৰি বিদ্বান হোৱাৰ প্ৰসঙ্গ উল্লেখ কৰিছে। কীৰ্তন-ঘোষাৰ অধ্যয়নো কৰিছে তেওঁলোকে। গতিকে লেখক উদ্ধৃত কৰিছে এনেদৰে —

আজিকালিৰ ল'ৰাবোৰ বিদ্বান হৈ পৰিছে। সিহঁতৰ ভিতৰত কোনো কোনোয়ে কাণখোৱা, চেমতি হৰণ পঢ়িছে আৰু বিদ্যাৰ পয়োভৰত সিহঁতে পদ মাতে —

"সৰ্ব্বকাল পিতামহ আছা ৰক্ষা কৰি।
শিশু চটকক যেন পখায়ে আবৰি।।" [৪০]

১৬) **আমি বলিয়া নে মুৰ্খ ঃ** ৰচনাখনিত বক্তাই ঈশ্বৰ আৰু বিজ্ঞানৰ সংঘৰ্ষ হ'ব পাৰে বুলি ভাবিলেও সেয়া প্ৰকৃততে নহয় বুলি যুক্তি সহকাৰে তুলি ধৰিছে। তেওঁ লিখিছে,

কোনো আকস্মিক বিপদৰ পৰা যদি কোনো সাৰে, আমি কওঁ Providentialescare অৰ্থাৎ দৈবাৎ বা ঈশ্বৰৰ ইচ্ছাত সাৰিল। ইয়াৰেই বা মানে কি ?

কোনো কোনোয়ে কয় যে বিজ্ঞানে ঈশ্বৰক বগৰালে। বিজ্ঞান আৰু ঈশ্বৰৰ মালযুঁজত —

হাতক হাতে মাল-বন্ধে বান্ধি।
দুই পাৰে দুই পাৱক ছান্দি।।

৩৯. উল্লিখিত, পৃ. ১৫১৬
৪০. উল্লিখিত, পৃ. ১৫১৯

ক্ৰোধে চক্ষু পকাই সঘনে চান্ত।

তৰ্জ্জন্ত গৰ্জ্জন্ত কামুৰি দান্ত।। [৪১]

বক্তাই বিজ্ঞানকো ঈশ্বৰৰ আইন বুলি উল্লেখ কৰিছে।

১৭) **আত্মানং বিধি ঃ** লম্বাই আৰু বৰবৰুৱাৰ কথোপকথনত কীৰ্তন-ঘোষাৰ পদে প্ৰাধান্য লাভ কৰিছে।

বৰবৰুৱাই কোৱা কথাৰ উত্তৰত লম্বায়ে কৈছে —

ডাঙৰীয়াই আজি মোক জ্ঞান দিলে। উদ্ধৱে কৃষ্ণক যি কৈছিল, তাকে আমাৰ কীৰ্তনৰ পৰা তুলি দি গাঁওঃ-

বুলিলা কৰিয়া নমস্কাৰ।

গুচাইলা মোহ অন্ধকাৰ।।

সূৰ্যৰ কাষতে যিটো থাকে।

তাক কি আন্ধাৰে আৰু ঢাকে।।

কিনো কৃপা ভৃত্যক কৰিলা।

বিজ্ঞান প্ৰদীপ মোক দিলা।।

... ... ...

মহাত্মা গান্ধী আমাৰ অসমলৈ আহি অসম তল-ওপৰ কৰি গ'ল। স্পৃশ্য-অস্পৃশ্য, হৰিজন, হৰিভকত সকলোকে মহাত্মাই মুচৰি সামৰি একেটা খালৈতে সুমোৱালে।

... ... ...

হৰিজন-পাপৰ আলু তুলিবলৈ মহাত্মাৰ হৰিনাম দৰ্কাৰ। আমাৰ শ্ৰী শঙ্কৰদেৱে কীৰ্তনত লেখিছে ঃ—

যিটো পাতকৰ প্ৰায়শ্চিত্ত কৰে,

দুনাই তাত মন মজে।

চিত্তৰ শোধন        হৰিৰ কীৰ্তন

পাপৰ আলু উভঞ্জে।। [৪২]

৪১. উল্লিখিত, পৃ. ১৫২৭

৪২. উল্লিখিত, পৃ. ১৫২৯

জাত-পাত, অস্পৃশ্যতা নিবাৰণৰ কাৰণে মহাত্মা গান্ধীৰ আগমনে তথা জাতীয় আন্দোলনে সমাজত আলোড়নৰ সৃষ্টি কৰিছিল। সেইদৰে অসমীয়া ভাষাৰ সংকটেও সেইসময়ত দেখা দিছিল। বঙ্গভাষাৰ প্ৰাধান্য হ'বলৈ ধৰিছিল। তেনে সন্ধিক্ষণত বৰবৰুৱাই কীৰ্তন-ঘোষাৰ দৈৱকীৰ পুত্ৰ আনয়ন খণ্ডৰ পৰা মৃত পুত্ৰ কেইটিলৈ মাতৃ দৈৱকীৰ মনত পৰাৰ দৰে অসমী মাতৃয়েও নিজৰ ভাষাৰ দুৰৱস্থাৰ বাবে প্ৰাচীন অসমবাসীৰ পূৰ্বজসকললৈ মনত পেলাই যেন চকুলো টুকিছে — এই সাদৃশ্য উল্লেখ কৰিছে। কিন্তু তেওঁক উদ্ধাৰ কৰিবলৈ বান্ধৱ কৃষ্ণ কাষত নাই।

... তাহানি দৈৱকী দেৱীয়ে তেওঁৰ মৰা পুতেক কেইটিলৈ মনত কৰি কৃষ্ণক কৈছিল —

কংসে মাৰিলেক মোৰ পুত্ৰ ছয়গুটি।
তাসম্বাক স্মৰি হেৰা প্ৰাণ যায় ফুটি।।
তোমাৰ প্ৰসাদে যেবে দেখিবাক পাওঁ।
তেবেসে দাৰুণ শোক সন্তাপ এৰাওঁ।

আমাৰ অসম আয়েও তেনেকৈ কোৱা যেন শুনো। কিন্তু আৰু কি আজি তেনে বান্ধৱ কৃষ্ণ তেওঁৰ কাষত আছে? [৪৩]

১৮) **যোগ আৰু ব্ৰহ্মচৰ্য ঃ** ৰচনাখনিত বেজবৰুৱাই যোগ আৰু ব্ৰহ্মচৰ্যৰ তাৎপৰ্য কীৰ্তন-ঘোষাৰ পদৰ আধাৰত ব্যাখ্যা কৰিছে। কৰ্ম্মযোগৰ দ্বাৰাই প্ৰকৃত জ্ঞান প্ৰাপ্তি হয়। কৃষ্ণইও যোগবলে কিদৰে মায়ামুক্ত হ'ব পাৰি অৰ্জুনক তাৰ দীক্ষা দিছিল।

... আমাৰ কীৰ্তনৰ পৰা পদ মাতি অৰ্জ্জুনৰ বিষয়ে ওপৰত কোৱা কথাষাৰ পোহৰাই দিওঁ

এহি মতে কৃষ্ণক চিন্তন্তে মহাবীৰ।
বাঢ়িল ভকতি মল গুচিল বুদ্ধিৰ।।
... ... ...
ভকতিৰ বলে জ্ঞান লভিল নিৰ্গুণ।
জীৱন্তে মুকুত হুই ৰহিল অৰ্জ্জুন।। [৪৪]

মহাত্মা গান্ধীয়ে কৰ্মযোগৰ দ্বাৰা জীৱনত সফলতা অৰ্জন কৰাৰ আদৰ্শ সমাজত দি যোৱাৰ শিক্ষা অসমীয়াক শঙ্কৰদেৱেও দিছিল। বক্তাই কীৰ্তন-ঘোষাৰ পৰা এনে শিক্ষাৰ উদ্ধৃতি প্ৰৱন্ধটিত উল্লেখ কৰিছে।

৪৩. উল্লিখিত, পৃ. ১৫২৯
৪৪. উল্লিখিত, পৃ. ১১৫৩২

(১)　যাৰ ইয়াত মোক্ষ পাইবে নলাগে দূৰক যাইবে,

আছা হৰি সবাৰ হিয়াত। (কীৰ্তন)

... ... ...

ঞ)　বিষ্ণুময় দেখে যিটো সমস্ত জগত।

জীৱন্তে মুকুত হোৱে অচিৰ কালতে।

সকল প্ৰাণীক দেখিবেক আত্মসম।

উপায় মধ্যত ইটো অতি মুখ্যতম।।

বেজবৰুৱাৰ কথাৰ মাজতে লম্বায়ে জানিব খুজিছে —

"..... আমাৰ কীৰ্তনত কবৰ দৰে ; —

গৰ্ভতে থাকন্তে উদৰত ঘালে পাৱ।

তাৰ অপৰাধক নধৰে যেন মাৱ।।"

এতেকে ডাঙৰীয়াই মোৰ অপৰাধ নধৰিব। পৰমাত্মাত আত্মাৰ যোগ কথাটো শুনিছো, কিন্তু হয় কতা? [৪৫]

কিয়নো মানুহ মাত্ৰেই মনৰ দ্বাৰা পৰিচালিত হয়। মনৰ চঞ্চলতাই মানুহৰ অনিষ্ট কৰিব পাৰে; কিন্তু যোগ, কৰ্মৰ দ্বাৰা মনক নিয়ন্ত্ৰণ কৰিব পাৰি।

১৯) **ডমিচাইল্ড ঃ** সংসাৰখন ক্ষণস্থায়ী আৰু গোটেই পৃথিৱীখনেই পৰিবৰ্তনশীল। মাটি-বাৰীৰ সীমাৰ বঢ়া-টুটাৰ দৰে অনেক সময়ত সংসাৰত পৰিবৰ্তনে দেখা দিয়ে। এই কথাৰ যুক্তি ৰাখিবলৈ গৈ লেখকে কীৰ্তন-ঘোষাৰ পদৰ উদ্ধৃত দিছে।

... সলনা সলনি, ঠিক যেন জলদ বৰণী মেঘ — এই আছে, এই নাই।

"অশ্বাশ্বত ধন-জন সৱে বিষ্ণুমায়া।

আকাশত প্ৰকাশে মেঘৰ যেন ছায়া।।" (কীৰ্তন) [৪৬]

২০) **ভূঁইকপ আৰু গৰাখহনীয়া ঃ** ৰচনাটিত লেখকে ভূইকপ আৰু গৰাখহনীয়া তাৎপৰ্য ব্যাখ্যা কৰিছে কীৰ্তনৰ প্ৰসঙ্গ টানি। বেজবৰুৱা সম্বলপুৰত থকাৰ সময়ত তেওঁৰ এজন বিশিষ্ট বন্ধু চৰ্কাৰী বিষয়াই ভূমিকম্পৰ কামৰ বাবে মুঙ্গেৰীলৈ বদলি হৈছিল। সেই বন্ধুয়ে বেজবৰুৱালৈ চিঠি লেখিছিল — ভূমিকম্পৰ ফলত ভাৰতবৰ্ষৰ ভৌগোলিক স্থিতি সলনি হৈ গৈছিল। সেই চিঠিতো কীৰ্তন-ঘোষাৰ প্ৰসঙ্গ আছে।

৪৫. উল্লিখিত, পৃ. ১৫৩৩
৪৬. উল্লিখিত, পৃ. ১৫৩৪

থিতাতে 'বালিক থাপিলা ছলে পানীক নিকালি ধানৰ পথাৰত, যত আগেয়ে নাদৰ সঁচেই নাছিল, তাত এ-অঁৰা চাৰি-অঁৰা নাদ পৃথিৰীলৈ আপুনা আপুনি পৃথিৰীৰ তলি ফুটি গজি ওলাল। [৪৭]

কীৰ্তন-ঘোষাৰ বলিচলন খণ্ডৰ আলমত 'বালিক থাপিলা ছলে পানীক নিকালি' পদৰ ব্যৱহাৰ কৰা হৈছে। চিঠি পঢ়ি বৰবৰুৱাৰ প্ৰতিক্ৰিয়াতো কীৰ্তন-ঘোষাৰ বিপ্ৰপুত্ৰ আনয়ন খণ্ডৰ তৃতীয় কীৰ্তনৰ পদৰ উল্লেখ আছে।

... ভূমিকম্পৰূপী যোগেশ্বৰ হৰিৰ সুদৰ্শন চক্ৰই এন্ধাৰ ফালি আগে আগে পোহৰাই লৈ যাব। যেনে —

"হেন দেখি যোগেশ্বৰ হৰি।
আগক হানিলা চক্ৰ ধৰি।।
মহাৰশ্মি পুঞ্জ পোসৰাই
আগতে কিৰণে ফাৰি যায়।।"[৪৮]

২১) **ৰুচ দেশত তিনিমাহ ঃ** বৰবৰুৱাৰ সখা জয়ধ্বজ তিনিমাহৰ বাবে ৰুচ দেশলৈ গৈছিল। জয়ধ্বজ উভটি আহি বৰবৰুৱাৰ লগত বাৰ্তালাপ কৰোঁতে বৰবৰুৱাই ৰুচ দেশক কীৰ্তন-ঘোষাৰ 'স্যমন্তক হৰণ' খণ্ডৰ জাম্বৱন্তৰ দেশৰ লগত ৰিজাইছে।

বৰবৰুৱা। দ্বাপৰ যুগৰ শেষত আমাৰ দ্বাৰকাৰ কৃষ্ণ ৰুচ দেশলৈ গৈছিল, স্যমন্তক মণি বিচাৰি। ৰুচ ভালুক-ৰজা জাম্বৱন্তৰ দেশ। কৃষ্ণদেৱ সুৰঙ্গ বা টানেল অৰ্থাৎ সুৰুঙাইদি সোমাই গৈ তাত ওলাইছিল, যাক আমাৰ পুৰাণত গৰ্ত্ত বা গাঁত বুলিছে। আমাৰ কীৰ্তনতে পাবা —

খোজ গুৰি ভালুকৰ গৰ্ত্ত পাইলা হৰি
ঘোৰ অন্ধকাৰে আছে গৰ্তক আৱৰি।।

এন্ধাৰ সুৰঙ্গ বা টানেল বা গাঁতৰ মুখতে কৃষ্ণদেৱে লগৰীয়া সেনাবোৰ, ঘোঁৰা, হাতী, ৰথবোৰ এৰি থৈ অকলে সোমাই গৈছিল।

"তথাত মণিক কৃষ্ণে দেখিলন্ত পাছে।

৪৭. উল্লিখিত, পৃ. ১৫৩৪
৪৮. উল্লিখিত, পৃ. ১৫৩৭

হাতে লৈয়া ধাই শিশু ওমলান্তে আছে।।
কাঢ়ি লৈবে লাগি হৰি সমীপ চাপিলা।
হেন দেখি ভয়ে ধাই ধাই গেড়ি দিলা।।
কোথাৰ মনুষ্য গোটে মণি নেয় হৰি।
আবে ঋক্ষৰাজ লাগ লৈয়ো ঝান্ট কৰি।।

... ... ...

শেহত কৃষ্ণৰ জয় হ'ল আৰু ঋক্ষৰাজে পৰাজয় স্বীকাৰ কৰি কৃষ্ণৰে সৈতে মিত্ৰতা কৰি, —

"তান কন্যা-ৰত্ন আছে নামে জাম্বৱতী।
কৃষ্ণক বিবাহ দিলা ৰঙ্গে ঋক্ষপতি।।
লগত যৌতুক আনি দিলন্ত স্যমন্ত।
পৰম আনন্দ দেখি ভৈল ভগৱন্ত।।"[৪৯]

বৰবৰুৱাই ৰুচ শব্দটোৰ লগত ঋক্ষ শব্দৰ সাদৃশ্য দেখুৱাইছে। সাদৃশ্য দেখুৱাবৰ বাবে তেওঁ কীৰ্তন-ঘোষাৰ পদৰ সহায় লৈছে। তদুপৰি বাহিৰত অৰ্থাৎ ৰুচিয়াত তিৰোতাই পুৰুষৰ সমানে কৰ্মক্ষেত্ৰত কাম কৰাৰ আদৰ্শ আছে। বৰবৰুৱাই লিখিছে—

ৰুচিয়াত তিৰুতাই পুৰুষেৰে সৈতে সমানে সমানে বাহিৰত কাম কৰে, যেনে — বনুৱাৰ কাম, বাঢ়ৈৰ কাম। মুঠতে তাত পুৰুষৰে সৈতে তিৰোতা সমানে —

"তেলী, মালী, শিলাকুটী, বণিয়া সুঁতাৰ।
চৰ্ম্মকাৰ, চড়াল, কমাৰ কুম্ভকাৰ।।
চিত্ৰকাৰ, কঁহাৰ, কুন্দাৰ বৈদ্য যত।।" (শঙ্কৰদেৱ) [৫০]

বৰবৰুৱাই নাৰী-পুৰুষৰ সম-অধিকাৰৰ বিষয়ে জয়ধ্বজক বুজাইছে।

২২) **বৰবৰুৱাৰ চিন্তাৰ শিলগুটি ঃ** বৰবৰুৱাৰ বিশ্বৰূপ দৰ্শন, বৰবৰুৱাই বি-এন-আৰৰ ঝাৰমোগোড়া ষ্টেচনত মেইল গাড়ীলৈ বাট চাই ৰাতি দহ মান বজাৰ পৰা তিনি বজালৈকে অপেক্ষা কৰি আছে। এই সময়চোৱাত তেওঁৰ মনত বিক্ষিপ্ত চিন্তাই ভুমুকি মাৰিছে। চকীত বহি তেওঁ টোপনিয়াই

৪৯. উল্লিখিত, পৃ. ১৫৪৯
৫০. উল্লিখিত, পৃ. ১৫৫৮

থাকোতেই ৰেল কম্পাউণ্ডৰ ভিতৰত চাৰিটা উদঙীয়া গৰুয়ে আহি টহিলং কৰিছে। কিন্তু আৰামী চকীৰ পৰা উঠি গৈ গৰু খেদিবৰ কেইটা সাধ্য হোৱা নাই বৰবৰুৱাৰ। কাৰণ —

.... হঠাৎ মোৰ মনত খেলালে — সেইখন চকী নহয়, অঘাসুৰৰ নিচিনা কিবা অসুৰ এটাহে। আমাৰ কীৰ্তন-ঘোষাৰ এইপদ ফাঁকিলৈ মোৰ মনত পৰিল ঃ

দুষ্ট অঘে পাতিলেক কাপ।
বাট ভেণ্টি ভৈল ঘোৰ সাপ।।
পৰ্ব্বত প্ৰমাণ কলেবৰ।
ৰৈল বেন্ত সম্যক গহ্বৰ।

এনেকুৱা অঘাসুৰ আৰাম চকীৰ গৰ্ভ ভিতৰত মই সোমাই আছোঁ। ওলাও কেনেকৈ? [৫১]

টোপনিৰ জালত গৰু কেইটা দেখি বৰবৰুৱাৰ মনলৈ ভিন্ন ভাৱ আহিছিল। প্ৰকৃততে সেয়া গৰু নাছিল, বৰবৰুৱাৰ চিনাকি ধনীৰাম সাউদ, পৱন কুমাৰ শৰ্ম্মা, কামিনী দেৱী আৰু কাঞ্চন মতী শইকীয়ানী। তেতিয়া বৰবৰুৱাই পুনৰ জন্ম-জন্মান্তৰ বাদৰ কথা ভাবিবলৈ ল'লে। অসংখ্যযোনিত জন্ম লোৱাৰ পাছতহে মনুষ্য জন্ম পোৱাৰ কথা তেওঁ কীৰ্তন-ঘোষাৰ ঊৰেষা বৰ্ণন খণ্ডৰ পদ মনত পেলাই চিন্তা কৰিবলৈ ধৰিলে। তেওঁ ইন্দ্ৰদ্যুম্ন ৰজাৰ স্তুতি মনত পেলাইছে —

লভিলোঁহো জন্ম প্ৰভু অসংখ্য প্ৰমাণ।
পঢ়িলোহো বেদশাস্ত্ৰ অনেক পুৰাণ।।
সংযোগ-বিয়োগ শত্ৰু মিত্ৰ বান্ধৱৰ।
দেখিলো সংসাৰে পিতৃ মাতৃক বিস্তৰ।।
সুখ-দুখ অনুভৱ ভৈল অসংখ্যাত।
পাইলো পুত্ৰ ভ্ৰাতৃ জ্ঞাতি অনেক ইহাত।।
কৃমি, কীট, হস্তী, ঘোঁৰা, মৃগ, পশু-পক্ষী।
গৰু, উট, মহিষ পশুক যত দেখি।।

... ... ...

ভণিল শঙ্কৰে ৰাম নাম বোলা ঝাণ্টে।। [৫২]

৫১. উল্লিখিত, পৃ. ১৫৭৬
৫২. উল্লিখিত, পৃ. ১৫৭৬

বৰবৰুৱাই মানৰ জীৱন শ্ৰেষ্ঠ বুলি ভাবিছে ; কিন্তু ধন-মান যশ-সম্পত্তিৰে অহংকাৰযুক্ত হৈ পৰা মানৱৰো অন্তিম সময়ত অন্তঃসাৰশূণ্য ছাইৰ দৰে অৱস্থা হয়। তেওঁ লিখিছে —

আমাৰ কীৰ্তন-ঘোষাৰো সেই একে সুৰেই
সুৱৰ্ণৰ ৰথে যিটো হস্তী স্কন্ধে
ফুৰয় ৰাজা বোলাই।
কালে প্ৰাণ গৈলে সেহিটো শৰীৰে
হোৱে বিষ্ঠা পলু ছাই।। [৫৩]

২৩) **বৰবৰুৱাৰ বিমান বিহাৰ ঃ** বৰবৰুৱাৰ কলিকতাত থকাৰ সময়চোৱাত ৰাইট ভ্ৰাতৃ যুগলৰ দৰে বিমান-বিহাৰ কৰি উৰিবলৈ মন গৈছিল। সকলো ইচ্ছা পুৰণৰ অৰ্থে কঠোৰ তপস্যাৰ প্ৰয়োজন হয়। সেইবাবে বৰবৰুৱাই বিমান-বিহাৰৰ বাবে তপস্যা কৰিবলৈ ল'লে।

.... মই মোৰ মনৰ মৰমৰ ভ্ৰাতৃ বিদ্যা শিক্ষা, দেশ উদ্ধাৰ, ধন-উপাৰ্জ্জন ইত্যাদি এটাইমখাৰে দহা বৰশৰাধ, বছৰেকীয়া শৰাধ, পানীশৰাধ সকলোবোৰ প্ৰেতকাৰ্য তপস্যা কৰিবলৈ ধৰিলোঁ। উদাহৰণ দি ক'লেহে কথাটোৰে কেনেৰূপ লয় তলত দেখোৱালোঁ।

ভ্ৰাতৃৰ পাছে কৰি প্ৰেত কাজ।
কথায়ে আশ্বাস কৰি দিতিক।।
তপক মনে গৈল মন্দৰক।।
আকাশ চাই উৰ্দ্ধবাহু হুই।
থাকিল ভূমিক অঙ্গুষ্ঠ চুই।।
... ... ...
সঞ্চাৰে তাৰা গ্ৰহ অসংখ্যাত।
দশোদিশে ভৈল উল্কাপাত।। [৫৪]

দিতিপুত্ৰ হিৰণ্যাক্ষৰ মৃত্যুৰ পাছত ভ্ৰাতৃ হিৰণ্যকশিপুয়ে ভ্ৰাতৃ হত্যাকাৰীক সংহাৰৰ নিমিত্তে এইদৰে ঘোৰ তপস্যাত নিমগ্ন হৈছিল আৰু দেৱপ্ৰদত্ত বৰাৰ ভীষণ শক্তিশালী হ'বলৈ সক্ষম হৈছিল। কীৰ্তন-ঘোষাৰ প্ৰ াদ চৰিত খণ্ডৰ অষ্টম কীৰ্তনৰ উক্ত পদৰ উদ্ধৃতিৰে বৰবৰুৱাই তপস্যাৰ মহত্ত্বৰ কথা

৫৩. উল্লিখিত, পৃ. ১৫৭৮
৫৪. উল্লিখিত, পৃ. ১৫৭৯

বুজাব বিচাৰিছে।

২৪) **ৰৌ বৰালি সৰকি গ'ল ঃ** ৰচনাখনিত সাহিত্য সভাই ধৰা পেলাব নোৱাৰা ৰৌসদৃশ এজনক বৰবৰুৱাই লগ পাইছে। সেইজন সাহিত্য-সভাৰ প্ৰয়োজনীয় ব্যক্তি অথচ তেওঁ ধৰা নিদিয়ে। সেইজনক বৰবৰুৱাই লগ পাই কীৰ্তন-ঘোষাৰ শিশুলীলা খণ্ডৰ পদৰ উদ্ধৃতিৰে বুজাই বঢ়াই সাহিত্য সভাৰ অন্তৰ্ভুক্ত কৰিব বিচাৰিছে।

... ভাইটিহু তুমিনো জালত নপৰা কিয় ? জালোৱাই সকলে তোমাক ধৰিবলৈ হেলাই হেপাই ফুৰিছে। তুমিনো দয়া পৰবশ হৈ ধৰা নিদিয়া কেলৈ ? তাহানি শিশু-কৃষ্ণ পলাই ফুৰিছিল আৰু মাক যশোদাই হাতত এচাৰি লৈ তেওঁক ধৰিবলৈ খেদি ফুৰিছিল।

পাচে পাচে যশোদা খেদন্ত।
ভয়ে লাগ মাৰক নেদন্ত।।

পিচত,

গোবিন্দে মাৰৰ শ্ৰম দেখি।
ৰহিলা কান্দন্তে মুন্দি আখি।।
সভয় নয়নে চান্ত ভৰে।
যশোদা ধৰিলা আখি কৰে।।
ভাণ্ড ভাঙি আজি যাইবি কোথা।
খাইবো আজি কৃষ্ণ তোৰ মাথা।।

কৃষ্ণই মাকৰ শ্ৰম দেখি কৃপা কৰি ধৰা দিলে। তাৰ পিচত মাকে উড়ালত বান্ধিব খুজি যেতিয়া হাৰিল, তেতিয়া

হেন দেখি প্ৰভু নাৰায়ণ।
স্নেহে লৈলা আপুনি বন্ধন।। [৫৫]

বৰবৰুৱাই সেই একেদৰে তেওঁক সাহিত্য সভাৰ উড়ালত নিজে নিজে বান্ধ ল'বলৈ অনুৰোধ কৰিছে।

---

৫৫. উল্লিখিত, পৃ. ১৫৯৭

২৫) **বৰবৰুৱাৰ বতৰা ঃ** বৰবৰুৱাই ৰেল যাত্ৰাৰে সম্বল পুৰলৈ আহিছে। কিন্তু ক্ষণস্থায়ী অনিত্য সংসাৰ ব্যৱস্থাৰ বাবে সোঁশৰীৰে সম্বল পুৰ নোপোৱালৈকে তেওঁ অবিশ্বাসত আছিল। তেওঁ কৈছে —

… সম্বলপুৰ নোপোৱালৈকে তেওঁৰ বিশ্বাস নহৈছিল যে তেওঁ সম্বলপুৰ পাবহি; কাৰণ শাস্ত্ৰত আছে—

অশ্বাশ্বত ধন জন সৱে বিষ্ণু মায়া।

আকাশত প্ৰকাশে মেঘৰ যেন ছায়া।। [৫৬]

এইদৰে কীৰ্তন-ঘোষাৰ পৰা পদ আমি তেওঁ সংসাৰৰ অনিত্যতাৰ কথা বুজাব বিচাৰিছে।

আকৌ, ৰেল গাড়ীৰ পৰা নামি তেওঁ এজাক কলা চিকচিকিয়া বেকা খোপাৰ কেটোৰকলী তিৰোতাৰ মুখামুখী হৈছে। ইহঁত বস্তু কঢ়িওৱা কুলী আছিল। সিহঁতৰ ব্যৱহাৰত বৰবৰুৱাৰ খং উঠিল। এই খঙৰ তুলনাত বেজবৰুৱাই অৰ্থাৎ লেখকে কীৰ্তন-ঘোষাৰ প্ৰ াদ চৰিতৰ হিৰণ্যকশিপুৰ অন্তকাৰী নৃসিংহ অৱতাৰৰ খঙৰ লগত কৰিছে।

… মোৰ খং উঠিল। সেইটো হিৰণ্যকশিপু সি কৰ্ম্ম কৰোঁতা নৃসিংহৰ খং যেন খং —

চক্ষু পকাই দৈত্য অন্তকাৰী।

চেলেকন্ত জিহ্বায়ে কোৱাৰি।। [৫৭]

২৬) **বৰবৰুৱাৰ সাহিত্যিক ৰহস্য ঃ** উঁই হাফলু বেজবৰুৱাই কাহিনীটো আৰম্ভ কৰোঁতেই কীৰ্তন-ঘোষাৰ পদ সংযোজন কৰিছে। গল্পটিত বক্তাৰ ঘৰ মহানদীৰ পাৰত। সেয়ে লেখিছে —

… সেই মহানদী যাৰ বিষয়ে শ্ৰীশঙ্কৰ গুৰুয়ে তেওঁৰ কীৰ্তনত লেখিছে ঃ

“আছন্ত তীৰ্থ মহানদী নাম।

লোকৰ কৰিয়া পাপ উপান্ত।

দক্ষিণ সাগৰক বহি যান্ত।

গঙ্গাৰ সমান তীৰ্থ বিশেষ।

… … …

বেদ ধ্বনি শুনি পলায় পাপ।।” [৫৮]

---

৫৬. উল্লিখিত, পৃ. ১৬০৭

৫৭. উল্লিখিত, পৃ. ১৬০৮

৫৮. উল্লিখিত, পৃ. ১৬৩৮

২৭) **তেজপুৰীয়া বিক্ৰম ঃ** তেজপুৰীয়া বিক্ৰমৰ বিষয়ে প্ৰবন্ধ লিখিবলৈ গৈ লেখকে তেজপুৰৰ শৌৰ্যবীৰ্যৰ বিষয়ে ভাবিছে। ইমানেই শক্তিশালী ৰজাৰ ৰাজত্বত এই দেশ আছিল যে শ্ৰীকৃষ্ণৰ দৰে পৰমশক্তিৰ বিৰুদ্ধেও ইয়াৰ ৰজাই যুদ্ধ ঘোষণা কৰিছিল।

... আমাৰ শ্ৰী শঙ্কৰদেৱৰ কীৰ্তন পুথি পঢ়ি চোঁৱা দেখিবা ঃ

"বানক ৰাখিবে লাগি ৰুদ্ৰে দিলা যুদ্ধ।" [৫৯]

পুনৰ মগধৰ মহাৰজা জৰাসন্ধই সোতৰ বাৰ মথুৰা আক্ৰমণ কৰিছিল। পৰাজয় বৰণ কৰি মগধ ৰজা তেজপুৰৰ বাণৰজাৰ শৰণাপন্ন হৈছিল। লেখকে এইখিনি কথা কীৰ্তন-ঘোষাৰ জৰাসন্ধৰ যুদ্ধ খণ্ডৰ দ্বিতীয় কীৰ্তনৰ উদ্ধৃতি সংলগ্ন কৰি কৈছে।

"মাধৱত যুদ্ধ হাৰি জৰাসন্ধ নৃপ।
ৰাজাগণ সমে গৈল বাণৰ সমীপ।।

... ... ...

মিত্ৰ বৎসল উদাৰ মনৰ বাণে তৎক্ষণাত উত্তৰ দিলে ঃ

পাছে বলি সুত বাণ।
দিলা হেন সমিধান ।।

... ... ...

দিলে দৈত্য সেনা ৰথ।
পূৰি তাৰ মনোৰথ।।" [৬০]

লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ গীত-নাট, কবিতা, উপন্যাস আদিৰ মাজত শংকৰদেৱৰ কীৰ্তন-ঘোষাৰ দৰ্শন কিছু কিছু পৰিমাণে সংৰক্ষণ কৰিছে। বিশেষকৈ বেজবৰুৱাৰ সাহিত্যত কীৰ্তনৰ প্ৰভাৱ প্ৰসংগত এইকেইটা বৈশিষ্ট্য পোৱা যায়—

(ক) বেজবৰুৱাই প্ৰধানত ঃ গ্ৰাম্য চৰিত্ৰ সমূহৰ মুখত কীৰ্তন-ঘোষাৰ পৰা সংলাপ দিছে।

(খ) বেজবৰুৱাই বৰবৰুৱাৰ চিন্তাৰ জৰিয়তে গভীৰ তত্ত্ব বুজোৱাৰ ক্ষেত্ৰটো কীৰ্তন-ঘোষাৰ পৰা উদ্ধৃতিৰ ব্যৱহাৰ কৰিছে।

(গ) বেজবৰুৱাৰ শঙ্কৰী চেতনাত কীৰ্তন-ঘোষাৰ প্ৰভাৱ বেছি পৰিমাণে দেখা যায়। কীৰ্তন-ঘোষাৰ পৰাই তেওঁ গল্পৰ বিভিন্ন চৰিত্ৰত আত্মপ্ৰত্যয়ৰ দৃঢ়তা আৰোপ কৰিব পাৰিছে।

---

৫৯. উল্লিখিত, পৃ. ১৬৪০
৬০. উল্লিখিত, পৃ. ১৬৬১

৫.০২.৩ **বিষ্ণু প্ৰসাদ ৰাভাৰ সাহিত্য ঃ** বিষ্ণু প্ৰসাদ ৰাভাৰ সাহিত্যত আংশিকভাৱে কীৰ্তন-ঘোষাৰ প্ৰভাৱ পৰিলক্ষিত হয়। প্ৰধানত ঃ গীতৰ কথাংশত কীৰ্তনৰ প্ৰভাৱ পৰিলক্ষিত হয়। তেওঁ ভাৰতীয় সঙ্গীত সম্পৰ্কে অধ্যয়ন কৰিছে। শিল্পী, বিপ্লৱী, সংগ্ৰামী, সংস্কৃতিৰ সাধক বিষ্ণু প্ৰসাদ ৰাভাই শঙ্কৰী নৃত্য-গীতৰ পুনৰোদ্ধাৰ কৰি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। সেইবাবে তেওঁৰ ৰচনাৰ মাজত, গীতৰ কথাংশ তথা সুৰৰ মাজত কীৰ্তনৰ উপাদান প্ৰত্যক্ষ কৰা হয়। শঙ্কৰদেৱে নাম, কীৰ্তন, ভাওনাৰ মাজেৰে অসমীয়া লোকজীৱনক একতাৰ শিক্ষা দিছিল। তেওঁ গীত অভিনয়ৰ মাধ্যমেৰে ধৰ্মক এক মনোৰঞ্জন শীল বিষয় হিচাপে প্ৰতিষ্ঠা কৰিছিল। বিষ্ণুৰাভাই শঙ্কৰদেৱৰ এই ব্যক্তিত্ব গভীৰ ভাৱে উপলব্ধি কৰিছিল। সেই বাবে তেওঁৰ গীতৰ মাজত শঙ্কৰদেৱৰ বন্দনা স্বতস্ফূৰ্তভাৱে ফুটি উঠিছে। আধ্যাত্মিক শিক্ষাক গীত, অভিনয়, সাহিত্যৰ মাধ্যমেৰে যথাৰ্থ ৰূপত দাঙি ধৰিবলৈ শঙ্কৰদেৱ সফল হৈছিল। সেই তত্বকে নতুন দৃষ্টিভঙ্গীৰে বিষ্ণুৰাভাই তেওঁৰ গীত কবিতাত প্ৰতিফলিত কৰিব বিচাৰিছে। শঙ্কৰদেৱে দি যোৱা একশৰণ হৰিনাম ধৰ্মৰ হৰি নাম কীৰ্তনৰ দ্বাৰা যি দৰে সমাজৰ কলুষতা পৰিষ্কাৰ হৈ পৰিছিল; সেইদৰে বৰ্তমান কালৰ সামাজিক কলুষতা বিনষ্ট কৰিবলৈকো পুনৰ শঙ্কৰদেৱৰ বিশাল ব্যক্তিত্বৰ প্ৰয়োজনীয়তা আহি পৰিছে। গতিকে ৰাভাৰ গীতত বন্দনাৰে শঙ্কৰদেৱৰ প্ৰতি আহ্বান মূৰ্ত্ত হৈ পৰিছে। শঙ্কৰদেৱৰ সৰল ব্যক্তিত্বৰ কথা তেওঁ সুঁৱৰিছে, শঙ্কৰ-মাধৱৰ মূল্যৱান সাহিত্য কীৰ্তন, দশম, নামঘোষা বৰ্তমানৰ অসমীয়াৰ আত্মসন্মানৰ প্ৰতিনিধি স্বৰূপে অভিষিক্ত কৰি তেওঁ আজিৰ অসমীয়াক আগবাঢ়ি যাবলৈ অনুৰোধ কৰিছে।

ক) **বিষ্ণু প্ৰসাদ ৰাভাৰ গীত আৰু কবিতাত কীৰ্তন-ঘোষাৰ প্ৰভাৱ ঃ**

**গীত - ১**

হৰিনাম ভকতি
হৰিনাম ৰকতি
... .... ....
তোমাৰে মহিমা গাই
নামঘৰত চোতালে নিতাল খোলে তালে
গোৱিন্দৰ নাম গুণ গাই।[৬১]

৬১. যোগেশ দাস (মুখ্য সম্পা.), *বিষ্ণু প্ৰসাদ ৰাভা ৰচনা সম্ভাৰ (প্ৰথম খণ্ড)*, পৃ. ১৩২

**গীত - ২**

কীর্তন দশম-নামঘোষা

হওক আমাৰ শৌৰ্য্য

নাট, গীত, নাম, বৰগীত

হওক ৰণৰ তুৰ্য্য

**গীত - ৩**

শুনো মঙ্গল আৰতি গান

নাচি উঠে ভকতৰ প্ৰাণ।।

— ৰাভা সঙ্গীত কেইটিত নামঘৰৰ পৰা বিয়পি পৰা কীৰ্তন-ঘোষাৰ সমবেত সুৰ সংগীতৰ প্ৰভাৱ লক্ষ্য কৰা যায়। অসমীয়া আধ্যাত্মিক জীৱনত শঙ্কৰদেৱৰ কীৰ্তন-ঘোষাৰ বিশিষ্ট প্ৰভাৱ অনুধাৱন কৰি বিষ্ণুপ্ৰসাদ ৰাভাই অসমীয়া সমাজক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ গীত-কবিতাৰ মাধ্যমেৰে বলিষ্ঠ প্ৰয়াস কৰিলে। তেওঁ শঙ্কৰদেৱৰ কীৰ্তন-ঘোষাক সন্মান জনাই অসমীয়া সংস্কৃতিক বিভিন্ন জনগোষ্ঠীয় সংমিশ্ৰণত বিশালাকাৰ লাভ কৰাৰ ক্ষেত্ৰত পুথিখনে যথেষ্ট সহায় কৰিছে বুলি গীতত উল্লেখ কৰিছে। অৱশ্যে বিষ্ণুৰাভাৰ সীমিত গীততহে শঙ্কৰদেৱৰ নাম-প্ৰসঙ্গমূলক ধৰ্মীয় প্ৰভাৱৰ মাধ্যমেৰে জাতীয় জাগৰণৰ সূত্ৰপাত কৰিবলৈ সক্ষম হ'ল। অসমীয়া ডেকা শক্তিক জাগ্ৰত কৰিবলৈ ৰাভাই শঙ্কৰদেৱ-মাধৱদেৱৰ কীৰ্তন-দশম নামঘোষাৰ সুৰ, বাণী, ভাবাবেগেৰে স্বতঃস্ফূৰ্ত জাগৰণ আনিবলৈ গীত ৰচনা কৰিছিল।

৫.০২.৪ **জ্যোতি প্ৰসাদ আগৰৱালাৰ সাহিত্য ঃ**

জ্যোতিপ্ৰসাদৰ পূৰ্বজ হৰিবিলাস আগৰৱালাই অসমীয়া ভাষা সংস্কৃতিৰ ৰক্ষাৰ ক্ষেত্ৰত এক বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছিল। হৰিবিলাস আগৰৱালাই শ্ৰীমন্ত শংকৰদেৱৰ কীৰ্তন, মাধৱদেৱৰ নামঘোষা, শংকৰ-মাধৱৰ বৰগীত আদি পোন প্ৰথম ছপা ৰূপত উলিয়ায়। তেওঁৰ পৰিয়ালত এক সাংস্কৃতিক পৰিৱেশ অব্যাহত আছিল। সাহিত্য চৰ্চা আৰু সংগীত চৰ্চাৰ ক্ষেত্ৰতো তেওঁৰ পৰিয়াল আগৰণুৱা আছিল। জ্যোতি প্ৰসাদৰ পিতৃ পৰমানন্দ আগৰৱালাই কীৰ্তন-ঘোষা, বৰগীতৰ সুৰ, পিয়ানোত তুলি ধৰিছিল। গতিকে এনে এক সংস্কৃতিচৰ্চাৰ পৰিয়ালত জন্ম জ্যোতিপ্ৰসাদ আগৰৱালাৰ চেতনাত বৈষ্ণৱ পৰম্পৰা তথা শংকৰদেৱৰ দৰ্শনে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছিল। জ্যোতি প্ৰসাদ আগৰৱালাৰ শিল্পীৰ পৃথিৱী অভিভাষণত

মুকলিকৈ শংকৰদেৱৰ বলিষ্ঠ নেতৃত্বক প্ৰতিষ্ঠা কৰা হৈছে। তেওঁ শ্ৰীমন্ত শঙ্কৰে দি যোৱা সাংস্কৃতিক আদৰ্শ নতুন দৃষ্টিভঙ্গীৰে পৰ্যবেক্ষণ কৰিবলৈ আহ্বান জনাইছে। এক বৈপ্লৱিক মানসিকতাৰে জ্যোতিপ্ৰসাদে তেওঁ গীতত, নাটত, বক্তব্যত শংকৰদেৱৰ দৰ্শন প্ৰতিষ্ঠা কৰিছিল। অৱশ্যে তেওঁৰ সীমিত সংখ্যক ৰচনাতহে কীৰ্তন-ঘোষাৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱ লক্ষ্য কৰা যায়।

ক) **জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকত কীৰ্তন-ঘোষাৰ প্ৰভাৱ ঃ**

১) **শোণিত কুঁৱৰী ঃ**

ঊষা - অনিৰুদ্ধৰ প্ৰেম-পৰিণয়ৰ কাহিনীৰে শোণিত কুঁৱৰী জ্যোতি প্ৰসাদ আগৰৱালাৰ এখন পৌৰাণিক কাহিনী সম্বলিত ব্যতিক্ৰমী নাটক। নাটখনিত আগৰৱালাই নৃত্যাংশত কৰা গীতৰ প্ৰয়োগ কীৰ্তন-ঘোষাৰ পৰা আহৰণ কৰিছে। নাটখনিৰ চতুৰ্থ দৰ্শনত ঊষাৰ লগৰী চিত্ৰলেখা আৰু অনিৰুদ্ধৰ সাক্ষাতৰ সময়ত চিত্ৰ বিক্ৰেতা বালকৰূপী চিত্ৰলেখাই নিজৰ প্ৰকৃত পৰিচয় জনাবৰ বাবে নৃত্য প্ৰদৰ্শন কৰিবলগীয়া হৈছিল। সেই গীত-নৃত্যত কীৰ্তন-ঘোষাৰ হৰমোহন খণ্ডৰ পদ সংযোজন কৰা হৈছে।

(চিত্ৰলেখাই মায়াৰ প্ৰভাৱেৰে সেই ঠাইডোখৰ এই দৃশ্যলৈ পৰিণত
কৰে, অনিৰুদ্ধই মুগ্ধ হৈ চাই থাকে।)

... দিব্য উপবন
দেখিলন্ত বিদ্যমান।
ফল ফুল ধৰি জক মক কৰি
আছে যত বৃক্ষ মান।।
... ... ...
কুহু কুহু ধ্বনি কোকিলৰ
বহয় মলয়া ৰাৱ।।

(তাৰ পাছত চিত্ৰলেখাই মোহিনী বেশ ধৰি নাচিবলৈ ধৰে। অনিৰুদ্ধ লাহে লাহে মুগ্ধ হৈ যাবলৈ ধৰে।)

**নাচোন**

... ... ...
দিব্য কন্যা আছে এক তাতে
কোটি লক্ষ্মী সম নোহে কটাক্ষে ত্ৰৈলোক্য মোহে

ভন্টা খেৰি খেলে দুয়ো হাতে।।

ভণ্টা খেৰি খেলান্তে হাতৰ পৰা উৰি।

গৈল গুটি পাছে কতো দূৰক উফৰি।।

(তাতে চিত্ৰই তেতিয়া কুমাৰৰফালে চাই লাহে লাহে আঁতৰি গৈ

থাকে। অনিৰুদ্ধ মুগ্ধ হৈ পাছে পাছে গুচি যায়গৈ।)[৬২]

**খ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতত কীৰ্তন-ঘোষাৰ প্ৰভাৱ ঃ**

১) (কোনে) গছে গছে পাতি দিলে ফুলৰে শৰাই (ৰাম ৰাম)

কলিয়া-ভোমোৰা গুঞ্জৰি আহে গোন্ধকে ধিয়াই (ৰাম ৰাম)

...উৰুৱাই পৱনে দিলে বিলাই। [৬৩]

— এই গীতটিৰ সুৰ-সংযোজনাত কীৰ্তন-ঘোষাৰ আৰ্হি দেখা পোৱা যায়। গীতৰ কলিৰ শেষাংশত 'ৰাম ৰাম' পদৰ পুনৰুক্তিৰে কীৰ্তন-ঘোষাৰ নাম-প্ৰসঙ্গীয়া ৰীতিৰ লগত থকা সাদৃশ্য প্ৰমাণিত কৰে।

২) মোৰে জীৱনৰে সখা কৃষ্ণ তই — গীতটিত জ্যোতিপ্ৰসাদে শঙ্কৰদেৱৰ সংস্কৃতিক কৃষ্ণ সংস্কৃতি আখ্যা দিছে। কীৰ্তন-ঘোষাত 'কৃষ্ণ' আৰধনাৰ উপাসনা সংগীত সন্নিবিষ্ট হৈছে। গতিকে পুথিখনিৰ কেন্দ্ৰস্থ ভাৱ কৃষ্ণ অৰ্থাৎ সুন্দৰৰ প্ৰতিষ্ঠা আৰু উপাসনাৰ সাংগীতিক আহ্বান গীতটিৰ অৰ্ন্তভাগত নিহিত আছে। এই গীতটিৰ সুৰত কীৰ্তনীয়া সুৰৰ সমল পোৱা যায়।

৩) জয় সুৰীয়া নতুন গান গাম/ৰাইজৰ বৰ নামঘৰত, সোণৰ/ৰূপৰ পাত মেৰিয়া/বৰখুঁটা লগাম।
— গীতটিত নামঘৰৰ উল্লেখে অসমৰ সাংস্কৃতিক সমাজত কীৰ্তনৰ আৰ্হিত নতুন গীতমাত গোৱাৰ প্ৰৱণতাৰ ইংগিত দিয়ে।

জ্যোতিপ্ৰসাদ আগৰৱালাইও শঙ্কৰী কৃষ্টিক শ্ৰেষ্ঠত্ব প্ৰদান কৰি সাহিত্য-সঙ্গীত সাধনাত ব্ৰতী হৈছিল। তেওঁৰ গীতত কৃষ্ণ অৰ্থাৎ সুন্দৰৰ কৰ্ষণ কৰা সংস্কৃতিৰ স্বৰূপ ফুটি উঠিছে। তেওঁ অসমীয়া লোকজীৱনৰ মাজত ভাৰতীয় চেতনাৰ কৃষ্ণক সংস্কৃতিৰ প্ৰতীকৰূপে গ্ৰহণ কৰিছে। শ্ৰীমন্ত শংকৰদেৱেও কীৰ্তন-ঘোষাৰ মাধ্যমেৰে এই কৃষ্ণকে সংস্কৃতিৰ প্ৰতীক হিচাবে অধিষ্ঠিত কৰি থৈ গৈছে বুলি আগৰৱালাই উপলব্ধি কৰিছে। তেওঁ কীৰ্তন-ঘোষাৰ পৰিৱেশন ৰীতিৰ সুৰৰ বৈশিষ্টসমূহ গীতত আৰোপ কৰিছিল। তেওঁৰ কেইবাটাও গীতত কীৰ্তনৰ আৰ্হিত সুৰ সংযোজিত কৰিছে। প্ৰতিজন মানুহে স্বভাৱ শিল্পী আৰু

৬২. হীৰেণ গোঁহাই (সম্পা.), *জ্যোতিপ্ৰসাদৰ ৰচনাৱলী*, পৃ. ৩০
৬৩. উল্লিখিত, পৃ. ৬৯৯

এই শিল্পীৰ ব্যক্তিত্ব শ্ৰীশংকৰৰ আধ্যাত্মিকতাবাদৰ ওপৰত আধাৰিত হৈছে।

লক্ষ্মীনাথ বেজবৰুৱা, বিষ্ণুপ্ৰসাদ ৰাভা আৰু জ্যোতিপ্ৰসাদ আগৰৱালা- আটাইকেইজন ব্যক্তিৰ সাহিত্যত শ্ৰীমন্ত শংকৰদেৱৰ আধ্যাত্মিকতাবাদ, জাতীয়তাবোধ আৰু বিজ্ঞান সন্মত মানসিকতাৰে সন্নিৱিষ্ট হৈছে। শংকৰদেৱৰ পৰা সমল আহৰণ কৰি আটাইকেইজন ব্যক্তিয়েই অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিলে। কীৰ্তন-ঘোষা এই ক্ষেত্ৰত বিশেষ ভাৱে উল্লেখযোগ্য।

**৫.০২.৫ অসমীয়া শিশু সাহিত্যত কীৰ্তনৰ প্ৰসঙ্গ ঃ**

লেখন কলাৰ উদ্ভৱ হোৱাৰ বহু পূৰ্বেই লোকসমাজত মুখে মুখে শুনি জ্ঞানৰ কথা শিকাৰ পৰম্পৰা আছিল। এই উদ্দেশ্যেৰেই গীত-মাত-সাধু আদিৰ মাধ্যমেৰে নৈতিকতা, মানৱীয়তাৰ শিক্ষা প্ৰদানৰ পৰম্পৰা প্ৰত্যেক সমাজৰে স্বপ্ৰবৃত্তি আছিল। ভিন্ন জাতি জনগোষ্ঠীৰ মাজৰ সাংস্কৃতিক বিনিময়ে এনে ধৰণৰ শিক্ষামূলক অথচ্ মনোৰঞ্জনৰ কলা সন্নিবিষ্ট গীত-মাত-সাধুকথাৰ প্ৰচাৰ ব্যাপক কৰিছিল।

মননশীল উপকথাৰ প্ৰচলনে অসমীয়া শিশু-সাহিত্য সমৃদ্ধ কৰি আহিছে। সাধুকথাবোৰ ৰূপক ধৰ্মী। কীৰ্তন-ঘোষা, মহাভাৰত, ৰামায়ণ মহাকাব্যসমূহৰ অসংখ্য কাহিনীসমূহ শিশু-শিক্ষাৰ বাবে সৰল ৰূপত বিন্যস্ত কৰি অসংখ্য সাধুকথাৰ ৰচনা হৈ আছে। কীৰ্তন-ঘোষাৰ বিভিন্ন অধ্যায়সমূহত সন্নিৱিষ্ট আখ্যানসমূহ সৰলীকৃত কৰি অসমীয়া সাহিত্যিকসকলে অজস্ৰ সাধুকথা ভিত্তিক শিশু-সাহিত্য ৰচনা কৰিছে। অতুলচন্দ্ৰ হাজৰিকা, লক্ষ্যধৰ চৌধুৰী, প্ৰদীপ কুমাৰ আদি সাহিত্যিকসকলে কীৰ্তন-ঘোষাক শিশু উপযোগী নৈতিক কাহিনী-সাহিত্যৰূপে পৰিচিত কৰাবলৈ সমৰ্থ হৈছে। এইসকল সাহিত্যিক এনে সাধুকথাৰ দ্বাৰা শিশু মাধ্যমত মনস্তত্ত্ব বিকাশ আৰু নৈতিকতাৰ শিক্ষা আৰোপত বিশেষ আগ্ৰহী আছিল।

কীৰ্তন-ঘোষাৰ কাহিনীৰ আলমত *কথা-কীৰ্তন, মৌ-কোঁহ* আদি সাধুকথাৰ কিতাপবোৰ বিভিন্ন গ্ৰন্থকাৰে প্ৰকাশ কৰি উলিয়াইছে। অতুলচন্দ্ৰ হাজৰিকা সম্পাদিত *কথা-কীৰ্তন* খনত কীৰ্তন-ঘোষাৰ কাহিনী সমূহৰ সৰল গদ্য বৰ্ণনা আছে। প্ৰদীপ কুমাৰৰ সম্পাদনাৰ *কথা-কীৰ্তন* খনত শিশুৰ উপযোগীকৈ কীৰ্তন-ঘোষাৰ খণ্ড কিছুমানৰ আলমত নানা সাধুকথাৰ ৰচনা কৰি সন্নিৱিষ্ট কৰা হৈছে। অজামিল উপাখ্যানৰ আধাৰত 'মহাপাপী অজামিলৰ পাপ-মোচনৰ কাহিনী; প্ৰহ্লাদ চৰিত্ৰৰ আধাৰত দৈত্যশিশু প্ৰহ্লাদৰ হৰি ভক্তিৰ কাহিনী ৰচনা কৰিছে। সেইদৰে গ্ৰাহ-গজেন্দ্ৰৰ যুদ্ধৰ কাহিনী, অদিতিৰ বাক্য পালি বলিক ছলিলা, ভগৱানৰ শিশুলীলাৰ কাহিনী, কংসবধৰ কাহিনী, স্যমন্তক হৰণৰ কাহিনী, কৃষ্ণৰ সহায়ত অৰ্জুনৰ প্ৰতিজ্ঞা

ৰক্ষা, পৰম মিত্ৰতাৰ চানেকি- আদি আখ্যান সমূহ কীৰ্তন-ঘোষাৰ বিভিন্ন খণ্ডৰ কাহিনীৰ আলমত ৰচনা কৰিছে।

অন্যান্য লেখক সকলেও কীৰ্তনৰ কথা-কাহিনীসমূহ শিশু উপযোগীকৈ প্ৰযোজনা কৰিছে। *অকণিৰ কথা-কীৰ্তন* (যোগেন্দ্ৰনাথ দত্ত), *দশাৱতাৰ* (যোগেন্দ্ৰ নাৰায়ণ গোস্বামী), *শুনা সাধু-কীৰ্তনৰ* (যতীন্দ্ৰ নাথ ফুকন) আদি বিভিন্ন শিশু সাহিত্যৰ মাজত কীৰ্তনৰ মনোমোহা আখ্যানসমূহৰ বৰ্ণনা পোৱা যায়। দশাৱতাৰ শিশু-গ্ৰন্থখনত কীৰ্তন-ঘোষাৰ চৰ্তুবিংশতি অৱতাৰ বৰ্ণনৰ ভগৱানৰ মুখ্য অৱতাৰ কেইটিৰ বিষয়ে সাৱলীল বৰ্ণনা আছে।

অসমীয়া জন-জীৱনত শিশুসকলক নৈতিক শিক্ষা প্ৰদানৰ বাবে বয়োজ্যেষ্ঠ সকলে কীৰ্তন-ঘোষাৰ পৰা এনেধৰণৰ কাহিনী মৌখিকভাৱে কৈ অহাৰ পৰম্পৰাই শিশুসকলক বহু পৰিমাণে প্ৰভাৱিত কৰি আহিছে।

৫.০২.৬ **অন্যান্য লেখকৰ ৰচনাত কীৰ্তনৰ প্ৰভাৱ আৰু প্ৰসংগ ঃ**

একশৰণ হৰিনাম ধৰ্মৰ চাৰিপুথিৰ অন্যতম ‘কীৰ্তন-ঘোষা’ই অসমীয়া জাতিৰ সাহিত্য সংস্কৃতিৰ প্ৰায়োগিক দিশ বিশেষ ধাৰাৰে সমৃদ্ধ কৰি ৰাখিছে। সাংস্কৃতিক ক্ষেত্ৰখনত ধৰ্মীয়, কাৰ্যকলাপৰ ভিতৰেদি কীৰ্তন-পুথিৰ চৰ্চা আৰু সমাজত ইয়াৰ গভীৰ শৃংখলাবদ্ধ প্ৰভাৱ পৰিছে। লগে লগে বৌদ্ধিক স্তৰত বিদ্যায়তনিক ক্ষেত্ৰৰ লগত জড়িত শঙ্কৰদেৱ চৰ্চা কৰোঁতাসকলৰ সাহিত্যত কীৰ্তন-ঘোষাৰ প্ৰভাৱ আৰু প্ৰসঙ্গ গুৰুত্বপূৰ্ণ বিষয়। বৃহত্তৰ অসমীয়া জাতি-গঠন প্ৰক্ৰিয়াত এই পুথিৰ ভূমিকা অত্যন্ত তাৎপৰ্যপূৰ্ণ। গতিকে অসমীয়া লেখক সকলৰ সাহিত্যিত ভাৱৰ গভীৰতা বঢ়াবৰ বাবেহে কীৰ্তনৰ প্ৰসংগ আহি পৰাটো যথাৰ্থ কথা।

পূৰ্ব্বৱৰ্তী আলোচনাত উল্লেখ কৰা বিশিষ্ট ব্যক্তি কেইগৰাকীৰ উপৰিও কীৰ্তন-ঘোষাক অসমীয়া লোকজীৱনৰ অত্যধিক ওচৰ-চপাই আনিবলৈ প্ৰযত্ন কৰা ব্যক্তিৰ ৰচনাত পুথিখনিৰ প্ৰসঙ্গ পোৱা যায়। তেওঁলোকৰ ভিতৰত অন্যতম হ’ল- হৰিবিলাস আগৰৱালা, মহেশ্বৰ নেওগ, সত্যেন্দ্ৰনাথ শৰ্মা, বাপচন্দ্ৰ মহন্ত, হীৰেন গোঁহাই, নগেন শইকীয়া, কৰবী ডেকা হাজৰিকা প্ৰভৃতি।

**হৰিবিলাস আগৰৱালা ঃ** কীৰ্তন-ঘোষা সাঁচি-পতীয়া পুথিৰ পৰা ছপা ৰূপত ১৮৭৬ চনত পোন প্ৰথম বাৰৰ বাবে কলিকতাৰ পৰা প্ৰকাশ লাভ কৰিছিল হৰিবিলাস আগৰৱালাৰ সৌজন্যত। আগৰৱালাইয়ে কীৰ্তন-ঘোষাকে প্ৰমুখ্য কৰি দৈত্যাৰি ঠাকুৰ কৃত গুৰুচৰিত আদি বৈষ্ণৱ গ্ৰন্থসমূহ ছপা ৰূপত পাঠকৰ

সন্মুখলৈ আনি অসমীয়া সমাজত বৈষ্ণৱ জাগৰণৰ পুনৰোদ্ধাৰ কৰে।

**মহেশ্বৰ নেওগ ঃ** শঙ্কৰদেৱৰ সাহিত্যিক গৱেষণামূলক ভাৱে অধ্যয়ন কৰি মহেশ্বৰ নেওগে অসমীয়া সাহিত্যৰ বিদ্যায়তনিক দিশটোলৈ বিশেষ বৰঙণি আগবঢ়াবলৈ সক্ষম হ'ল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ *Sankaradeva and His Times* শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে নেওগক সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছিল। গ্ৰন্থখনিত অসমৰ বৈষ্ণৱ ধৰ্ম আৰু শঙ্কৰদেৱৰ সাহিত্যৰ বিশেষ পৰ্যালোচনা পোৱা যায়। কীৰ্তন-পুথিৰ আলোচনা প্ৰসংগত বৈষ্ণৱ ধৰ্মৰ অন্যতম পবিত্ৰ চাৰিপুথিৰ এখন প্ৰধান পুথি হিচাপে 'কীৰ্তন-ঘোষা'ক প্ৰতিষ্ঠা কৰিছে। নেওগে তেওঁৰ অধিকাংশ ৰচনাত শঙ্কৰদেৱৰ কীৰ্তন-ঘোষাৰ ৰচনা-সৌষ্ঠৱ, বৰ্ণনা শৈলীৰ অনুপম সৌন্দৰ্যৰ বিশেষত্ব প্ৰতিষ্ঠা কৰিছে। নেওগে '*অসমীয়া সাহিত্যৰ ৰূপৰেখা*', '*শ্ৰীশ্ৰী শঙ্কৰদেৱ*', গ্ৰন্থতো কীৰ্তন-ঘোষাৰ ৰচনাশৈলীৰ গাম্ভীৰ্য সম্পৰ্কে আলোচনা কৰিছে।
তেওঁ উল্লেখ কৰিছে—

> 'কীৰ্তন-ঘোষা' পুথিখনি অতি জনপ্ৰিয়; সিখনিৰ ব্যৱহাৰ সকলো অসমীয়া হিন্দুৰ মাজত দৈনন্দিন বুলিব পাৰি। ধৰ্মপ্ৰচাৰ ধৰ্ম-শিক্ষা আৰু ধৰ্মজীৱন গঢ়িবৰ নিমিত্তেই এই সৰ্বাঙ্গসুন্দৰ পুথিখনি ৰচিত হৈছিল।[৬৪]

নেওগৰ শঙ্কৰদেৱ চৰ্চা এটা বিশাল অধ্যয়নৰ বিষয়। তথ্য সমৃদ্ধভাৱে শঙ্কৰদেৱৰ জীৱনযোৰা কৃতি আৰু কীৰ্তন-ঘোষা ৰচনাৰ বৈশিষ্ট্য আদি সম্পৰ্কে নেওগে বিস্তৃত আলোচনা আগবঢ়াইছে। মহেশ্বৰ নেওগে শঙ্কৰদেৱ অধ্যয়ন তথা কীৰ্তন-ঘোষা চৰ্চাৰ বিজ্ঞানসন্মত দৃষ্টিকোণেৰে বিদ্যায়তনিক বিষয়ৰূপে প্ৰতিষ্ঠা কৰিলে।

**সত্যেন্দ্ৰনাথ শৰ্মা ঃ** সত্যেন্দ্ৰনাথ শৰ্মাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা *Non-Vaisnavite Movement and the Satra Instituion of Assam* শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে পি.এইচ.ডি ডিগ্ৰী লাভ কৰিছিল। শৰ্মাৰ গৱেষণা গ্ৰন্থখনিত ভক্তি আন্দোলন আৰু নৱবৈষ্ণৱ ধৰ্মৰ উত্থানত শঙ্কৰদেৱৰ সাহিত্যৰ দাৰ্শনিক দিশৰ মূল্যায়ন কৰা হৈছে। গ্ৰন্থখনত অসমীয়া লোকজীৱনত বৈষ্ণৱ ভক্তিধৰ্মৰ গুৰুত্বৰ আলোচনা প্ৰসঙ্গত কীৰ্তন-ঘোষাৰ পৰা উদ্ধৃতি দি বৈষ্ণৱ ধৰ্মৰ নৈতিকতা আৰু মূল্যবোধ সৰ্ম্পকে আলোচনা কৰা হৈছে। শৰ্মাৰ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* শঙ্কৰদেৱ চৰ্চাৰ এক উৎকৃষ্ট নিদৰ্শন। গ্ৰন্থখনিৰ অৰ্ন্তগত বৈষ্ণৱ সাহিত্যৰ পটভূমি আৰু বিশেষত্ব, শঙ্কৰীযুগ আৰু শঙ্কৰোত্তৰ যুগ- অধ্যায়কেইটাত শঙ্কৰদেৱৰ সাহিত্যৰ গুৰুত্ব আৰু বিশেষ সম্পৰ্কে আলোচনা কৰা হৈছে। 'শঙ্কৰীযুগ' অধ্যায়টিত শঙ্কৰদেৱৰ সামগ্ৰিক

---

৬৪. মহেশ্বৰ নেওগ, *শ্ৰীশ্ৰী শঙ্কৰদেৱ*, পৃ. ১১২

ৰচনাত পৰিচয়ৰ লগতে ‘কীৰ্তন-ঘোষা’ৰ প্ৰসঙ্গত বলিষ্ঠ আলোচনা আছে।

কীৰ্তন-ঘোষাৰ ৰচনাশৈলী বৰ্ণনা নৈপুন্য ভক্তি ভাৱৰ গভীৰতা সম্পৰ্কে শৰ্মাই বহল আলোচনা আগবঢ়াইছে। তেওঁৰ অন্যান্য ৰচনাসমূহতো শঙ্কৰদেৱৰ কীৰ্তন-ঘোষাৰ প্ৰসঙ্গই স্থান লাভ কৰিছে।

**বাপচন্দ্ৰ মহন্ত ঃ** বাপচন্দ্ৰ মহন্তই *মহাপুৰুষ শঙ্কৰদেৱ, ঐতিহাসিক পটভূমিত মহাপুৰুষ শঙ্কৰদেৱ, শঙ্কৰদেৱৰ দৰ্শন-* আদি গ্ৰন্থ ৰচনা কৰিছে। শঙ্কৰদেৱক ধৰ্মীয় দৃষ্টিৰে বিচাৰ নকৰি তেওঁৰ সমাজ তথা সাংস্কৃতিক নেতৃত্বৰ দিশটো পৰ্যাপ্তভাৱে বিজ্ঞানসন্মত দৃষ্টি কোণেৰে বিচাৰ কৰিছে। স্থানবিশেষে কীৰ্তনৰ প্ৰসঙ্গ তেওঁ উল্লেখ কৰিছে।

**হীৰেন গোঁহাই ঃ** সাহিত্য সমালোচক হীৰেন গোহাঁয়ে শঙ্কৰদেৱক নিৰ্মোহভাৱে অধ্যয়ন কৰি আহিছে। তেওঁ ঐতিহাসিক সামাজিক, ৰাজনৈতিক, মানৱতাবাদী প্ৰেক্ষাপটত উদাৰভাৱে এজন ব্যক্তিবিশেষ হিচাপে শঙ্কৰদেৱৰ ধৰ্মীয়-সাহিত্যিক অৱদান সম্পৰ্কে আলোচনা কৰিছে।

*অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা* আৰু *কীৰ্তন-পুথিৰ ৰসবিচাৰ* - পুথিদুখনত গোঁহায়ে শঙ্কৰদেৱে অসমীয়া জাতীয় জীৱনত প্ৰদান কৰা মহাপুৰুষীয়া পৰম্পৰা তথা কীৰ্তন-পুথিৰ প্ৰভাৱ সম্পৰ্কে বস্তুনিষ্ঠ আলোচনা কৰিছে। অসমীয়া সমাজত শঙ্কৰী ঐতিহ্য আৰু গণতন্ত্ৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত কীৰ্তন-পুথিয়ে কিদৰে প্ৰভাৱ বিস্তাৰ কৰিলে— এই কথাৰ যুক্তিনিষ্ঠ আলোচনা *কীৰ্তন-পুথিৰ ৰসবিচাৰ* গ্ৰন্থত গোঁহায়ে সৰলভাৱে কৰিছে। কীৰ্তনৰ ভাষাৰে ৰসগ্ৰাহিতাৰ বাবে পুথিখন জন-জীৱনৰ অত্যাধিক ওচৰচপা এই কথাৰ প্ৰতিপাদন গ্ৰন্থখনিত কৰা হৈছে।

**নগেন শইকীয়া ঃ** *বিষয় ঃ শঙ্কৰদেৱ* আৰু *অসমীয়া মানুহৰ ইতিহাস* - গ্ৰন্থ দুখনিৰ মাধ্যমেৰে নগেন শইকীয়াৰ শঙ্কৰদেৱৰ চৰ্চাৰ ক্ষেত্ৰত আগবঢ়োৱা অৰিহণাৰ কথা জানিব পাৰি। বিশেষকৈ *বিষয়ঃ শঙ্কৰদেৱ* গ্ৰন্থখনত শঙ্কৰদেৱৰ বিশাল ব্যক্তিত্ব প্ৰতিষ্ঠা কৰা হৈছে।

কীৰ্তন-ঘোষা ঃ এটি ৰূপৰেখা, ‘কীৰ্তন’ৰ পথ সগুনৰ পৰা নিৰ্গুণলৈ- প্ৰৱন্ধদুটিত অসমীয়া সমাজ-সংস্কৃতিত কীৰ্তন-ঘোষাৰ গুৰুত্ব, মহত্ব আৰু ব্যাপকতা সম্পৰ্কে আলোচনা কৰা হৈছে। নৱবৈষ্ণৱ ধৰ্মত কীৰ্তন-পুথিৰ স্থান, দাৰ্শনিক ভিত্তি ইত্যাদি প্ৰসঙ্গত মতামত আগবঢ়াইছে। অসমৰ সামাজিক জীৱনত ধৰ্মতত্ত্বৰ সৰল ব্যাখ্যাযুক্ত গ্ৰন্থ হিচাপে কীৰ্তন-ঘোষাৰ মহত্ত্ব যথেষ্ট। এই কথাৰ বিশদ আলোচনা শইকীয়াই প্ৰৱন্ধদুটিত কৰিছে। তদুপৰি সামগ্ৰিক ভাৱে গ্ৰন্থখনত শঙ্কৰদেৱৰ শিক্ষা আৰু ভক্তি ধৰ্মৰ তত্ত্ব সম্পৰ্কে

ব্যাখ্যা কৰা হৈছে।

**কৰবী ডেকা হাজৰিকা ঃ** অসমীয়া কাব্য জগতৰ পৰিচিত নাম কৰবী ডেকা হাজৰিকাই শঙ্কৰদেৱ আৰু মাধৱদেৱৰ সাহিত্যৰ ওপৰত বিস্তৃত অধ্যয়ন কৰিছে। ডেকা হাজৰিকাই *Madhavadeva : His Life, Art and Thought* গৱেষণা গ্ৰন্থৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। তেওঁৰ গৱেষণাৰ বিষয় যদিও মাধৱদেৱৰ সাহিত্য আছিল; অসমীয়া বৈষ্ণৱ সাহিত্যৰ ওপৰত তেওঁ বিশদ অধ্যয়ন কৰিছে। *তেওঁ বেজবৰুৱাৰ শ্ৰীশ্ৰী শঙ্কৰদেৱ আৰু মহেশ্বৰ নেওগৰ Sankaradeva and his Times এটি বিশ্লেষণ, শ্ৰীমন্ত শঙ্কৰদেৱ ঃ দ্ৰষ্টা আৰু স্ৰষ্টা, বিষ্ণুপ্ৰসাদ ৰাভাৰ দৃষ্টিত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱ পৰিৱেশ্য কলাৰ ৰূপকাৰ* আদিকে ধৰি শতাধিক গৱেষণামূলক প্ৰবন্ধ ৰচনা কৰিছে।

কীৰ্তন পুথিৰ কিমান সংখ্যক ছপা সংস্কৰণ প্ৰকাশ পাইছে তাৰ সম্পূৰ্ণ তথ্য সংগ্ৰহ কৰাটো সম্ভৱ নহ'ল। তথাপি 'আমাৰ অসম'ৰ সাংবাদিক দিগন্ত ওজাই কৰা সমীক্ষা মতে—

> কিন্তু হাতত পৰা তথ্য আৰু পৰিসংখ্যাৰ পৰাই অনুমান কৰাটো অসম্ভৱ নহয়। প্ৰথম ছপা আকাৰত প্ৰকাশ পোৱাৰ পৰাই এই পৰ্য্যন্ত কীৰ্তন ঘোষাৰ অন্ততঃ দুই লাখতকৈ অধিক কপি বিক্ৰী হৈছে। শতাব্দীৰ প্ৰাচীৰ ভেদি শঙ্কৰদেৱৰ এই গ্ৰন্থ পৰিগণিত গৈছে বিংশ শতিকাৰ সৰ্বাধিক বিক্ৰীত গ্ৰন্থ।[৬৫]

তদুপৰি বৰ্তমানলৈকে ছপা ৰূপত ওলোৱা কীৰ্তন-ঘোষা আৰু নামঘোষাৰ সম্পাদিত সংস্কৰণ সমূহৰ ভিতৰত একমাত্ৰ মহিলা সম্পাদিকা ৰূপে কৰবী ডেকা হাজৰিকা বুলি তথ্য লাভ কৰা হৈছে। ১৯৯৯ চনত ডিব্ৰুগড়ৰ বনলতা প্ৰকাশনে এই পুথি প্ৰকাশ কৰি উলিয়ায়।

এই কেইজন পুৰোধা ব্যক্তিৰ বাহিৰেও অন্যান্য বহুকেইজন সাহিত্যিকৰ ৰচনাত কীৰ্তন ঘোষাৰ ভাৱ আৰু বিষয় তথা পদসমূহৰ প্ৰভাৱ আৰু প্ৰতিফলন দেখা যায়। উপমাৰ বাবে অথবা বক্তব্যৰ জোৰ বঢ়াবৰ বাবে কীৰ্তন-ঘোষাৰ পদ এফাঁকি তুলি দিয়াটো অসমীয়া লেখকৰ সহজ অভ্যাস। সেই আলোচনা অন্য বিস্তৃত বিষয় হ'ব পাৰে।

---

৬৫. দিগন্ত ওজা, কীৰ্তন এতিয়াও বেষ্ট চেলাৰ (প্ৰবন্ধ), আমাৰ অসম, ২ ফেব্ৰুৱাৰী, ২০০১